লক্ষীমপুৰ তেলাহী কমলাবাৰীয়া মহাবিদ্যালয়

।। তমসো মা জ্যোতির্গময় ।।

স্থাপিত ঃ ১৯৭৭

# গ্ল'বেলা ২০১৬

# Globala



## অৰ্থনীতি বিভাগ

## এল.টি.কে. কলেজ

### আজাদ, লক্ষীমপুৰ

তত্ত্বাৱধায়ক ঃ
দীক্ষা মহন্ত


সম্পাদকদ্বয় ঃ
সমুজ্বল দাস, বিস্মিতা দত্ত






অৰ্থনীতি বিভাগৰ অধ্যাপক অধ্যাপিকা সকল




তত্ত্বাৱধায়ক ঃ দীক্ষা মহন্ত









সম্পাদকদ্বয় ঃ
সমুজ্জ্বল দাস, বিস্মিতা দত্ত

সদস্য ঃ
যুগল কিশোৰ মহন্ত

সদস্য ঃ
মানস প্ৰতীম গগৈ

লক্ষীমপুৰ তেলাহী কমলাবাৰীয়া
তমসো মা জ্যোতিৰ্গময়
স্থাপিত : ১৯৭৭
মহাবিদ্যালয়

# গ্ল'বেলা 2016

# Globala

## অৰ্থনীতি বিভাগ
## এল. টি. কে. কলেজ
## আজাদ, লক্ষীমপুৰ

প্ৰতি,

..........................................................................................

..........................................................................................

শ্ৰদ্ধা আৰু আন্তৰিকতাৰে..

তত্বাৱধায়ক ঃ
দীক্ষা মহন্ত

সম্পাদকদ্বয় ঃ
সমুজ্বল দাস, বিস্মিতা দত্ত

**Lakhimpur Telahi Kamalaboria Mahabidalay, Economics Department Session 2016, Printed at Mridul Dtp Centre, Bahpati Tiniali**

সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ ড° বুবুল কুমাৰ শইকীয়া

উপদেষ্টা ঃ ড° ৰমেশ কুমাৰ কাকতি

শ্ৰীযুতা ৰুমী দত্ত

শ্ৰীগোবিন দাস

শ্ৰীযুত ভাস্কৰ জিৎ বৰা

তত্ত্বাৱধায়ক ঃ দীক্ষা মহন্ত

সম্পাদক ঃ বিস্মিতা দত্ত

সমজ্জল দাস

ছাত্ৰ সদস্য ঃ যুগল কিশোৰ মহন্ত

বিতুপন হাজৰিকা

মানস প্ৰতীম গগৈ




## শুভেচ্ছাবাণী

ল. তে. ক. মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকলে যি উদ্যমেৰে বিভাগীয় আলোচনী "গ্ল'বেলা" প্ৰকাশৰ বাবে প্ৰচেষ্টা চলাইছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা প্ৰকাশ ও জ্ঞানৰ বিকাশৰ ক্ষেত্ৰত এই আলোচনীখনে যথেষ্ট অৰিহনা যোগাব বুলি আশা কৰিছো। ছাত্ৰ-ছাত্ৰী সকলৰ লিখনিৰ দ্বাৰা যাতে "গ্ল'বেলা" আলোচনীখনে নিয়মীয়াকৈ প্ৰকাশ পায় তাৰ প্ৰতি শুভেচ্ছা থাকিল। শেষত আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলো—

ড° বুবুল কুমাৰ শইকীয়া

অধ্যক্ষ, লঃ তেঃ কঃ মহাবিদ্যালয়।



**From the desk of Head of the Department......**

Reading is the most important work for the students, by which they can achieve their goal, at the same time they can improve their intellectual knowledge by getting involved in writing poem, short story, article in different magazine, news paper etc. It is seen that writing is a way for students by which they can increase their mental strength, capacity of thinking, reflect his liabilities about the society through words. Writing is an art. The habits of writing enhances the person's writing skill, comprehesion his vocabulary and many more. With the habit of writing a person learns to reflect his depth of thinking in his worlds.

I am highly obliged that students of the department of economics, LTK College are taking active participation in publishing the Magazine- 'GLOBALA'. I hope that this magazine will be of great help to the students entire college as well as of the department. I highly appreciate Professor Dikshya Mahanta for her hard work to bring out the magazine and also the students of the department of economics for their cooperation.

Romesh Kr. Kakoti

Dr. Romesh Kr. Kakoti
Head of the Department
Department of Economics
LTK College, Azad, NL

# সম্পাদকৰ মেজৰ পৰা.........

বর্তমান সময়ত গোলকীকৰণ ধাৰণাটো সর্বজন বিদিত আৰু ইয়াৰ অর্থ হ'ল বিশ্বৰ বিভিন্ন অর্থনীতিসমূহক এখন অর্থনীতিলৈ পৰিবর্তন ঘটোৱা। সঁচা অর্থত বিশ্বায়ণ এটা অতি পৌৰানিক ধাৰণা। সংস্থাপিত অর্থনীতিবিদ সকলে "যুৰ অর্থনীতি" নামৰ ধাৰণাটোৰ মাথোন পোষকতা কৰাই নাছিল। এই ধাৰণাটোৰ ওপৰত ভিত্তি কৰিয়েই সেই সময়ৰ আৰ্থিক ব্যৱস্থাক চলাই যাব পৰাকৈ প্রয়োজনীয় সকলো তত্বই আলোচনা কৰিছিল। গোলকীকৰণ ধাৰণাটো "যুৰ আৰ্থিক নীতি" ধাৰণাৰ আলমত গঢ় লৈ উঠা এটা ধাৰণা।

বিংশ শতাব্দীৰ শেষৰ দশকৰ পৰা ভাৰতীয় অর্থনীতিটো বিশ্বায়নে বিস্তাৰ লাভ কৰিছে। ভাৰতৰ দৰে প্রয়োজনীশীল মিশ্র তথা গণতান্ত্রিক অর্থনীতি এখনত বিশ্বায়ন প্রক্রিয়াৰ যাত্রাপথক মসৃন আখ্যা দিব পৰা নেযায়। ইয়াৰ কাৰণ উন্নত দেশৰ শোষণৰ হাতোৰাৰ পৰা নিজকে ৰক্ষা কৰি উন্নয়নৰ গতিপথ ক্ষীপ্র কৰাত ভাৰতৰ দৰে দেশত দেশীয় চৰকাৰে অত্যন্ত কঠিন আৰু সুক্ষ্ম দৃষ্টিভংগীৰে আগবঢ়াৰ প্রয়োজন হয়। বিশ্বায়নৰ আগ্রাসনে দেশখনক কিমান দুৰ আগুৱাই নিছে তাৰ পূর্ণাংগ অধ্যয়নৰ বিপৰীতে আংশিক বিশ্লেষণহে সম্ভৱ হয়। ইয়াৰ কাৰণ আমাৰ দেশৰ প্রচলিত আৰ্থিক ব্যৱস্থাৰ পৰা বিশ্বায়নৰ উন্নয়ক পৃথক কৰিব পৰা নেযায়। পুনৰ বিশ্বায়নে দেশৰ উৎপাদনীয় ক্ষেত্রখনত বহুৰাষ্ট্রীয় কোম্পানীৰ ব্যাপক হাৰত বৃদ্ধি কৰাত দেশখনত প্রচলিত ক্ষুদ্র আৰু কুটীৰ শিল্প সমূহৰ লগতে মজলীয়া উদ্যোগবোৰলৈ ভাবুকি কঢ়িয়াই আনে। সেয়েহে এনে উদ্যোগ সমূহক চৰকাৰী সুৰক্ষা দিব নোৱাৰিলে দেশীয় উৎপাদন ব্যৱস্থা, ক'লা সংস্কৃতি, স্বকীয়তা সকলো দিশতে প্রত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়। অৱশ্যে বিশ্ব দৰবাৰত নিজৰ স্থান সুৰক্ষিত কৰাত পৰিকল্পিতভাৱে বিশ্বায়নৰ সহায় লোৱাৰ বিনে কেনো গত্যন্তৰ নেথাকে।

কৃতজ্ঞতা স্বীকাৰ ঃ এখন বিভাগীয় আলোচনী প্রকাশ কৰাটো এক প্রকাৰ প্রত্যাহ্বান। ছাত্র-ছাত্রীৰ মানসিক উৎকর্ষ সাধন কৰা এনে আলোচনীৰ গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে যদিও প্রায় আধা শতাংশ দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰা ছাত্র-ছাত্রীৰ বাবে ই এক অলীক সপোন। কিন্তু এনে এটি অলীক সপোনক বাস্তৱত ৰূপ দিয়াৰ বাবে আমি বিভাগীয় মূৰব্বী অধ্যাপক ড °ৰমেশ কুমাৰ কাকতি চাৰৰ লগতে অধ্যাপিকা ৰমী দত্ত, অধ্যাপক গোবিন্দ দাস চাৰক আৰু অধ্যাপিকা দীক্ষা মহন্ত বাইদেউক আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্র-ছাত্রীৰ পৰা লিখনীসমূহ সংগ্রহ কৰাৰে পৰা ছপাশালৰ পৰা আলোচনীখনি প্রকাশ হৈ অহা লৈকে প্রতিটো পদক্ষেপতে আমাক সকলোখিনি দিহা পৰামর্শ দিয়াৰ লগতে শাৰিৰিক, মানসিক আৰু আধ্যাত্মিক ভাৱে অধ্যাপিকা দীক্ষা মহন্ত বাইদেৱে যিখিনি সহায় আগবঢ়ালে তাৰ বাবে তেখেতৰ ওচৰত মোৰ কৃতজ্ঞতা থাকিল। আলোচনীখনৰ সম্পাদিকা হিচাপে মই মোৰ দায়িত্বতকৈ সম্পদনা সমিতি কৃতিত্বহে যে বেছি তাক মই নকৈ নোৱাৰিলো। সময় সাপেক্ষ ভাৱে প্রয়োজনীয় সহায়-সহযোগিতা সম্পদনা সমিতিয়ে আগ নবঢ়োৱা হ'লে আলোচনীখন নিশ্চয় প্রকাশ হৈ নুঠিলহেতেন।

বিভাগৰ এই আলোচনীখনলৈ শুভাশীষ জনাই কৃতার্থ কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া ছাৰ, বিভাগৰ মূৰব্বী অধ্যাপক ড° ৰমেশ কুমাৰ কাকতি ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে বিভাগৰ ছাত্র-ছাত্রী সকলে যি উদ্যামৰ আলোচনীখন সহায় কৰিলে তাৰ বাবেও তেওঁলোকলৈ অশেষ ধন্যবাদ থাকিল।

বিস্মিতা দত্ত
সমুজ্জ্বল দাস

# সূচীপত্ৰ—


বিশ্বৰ পৰিৱৰ্তিতপটভূমিত ভাৰতীয় অৰ্থনীতি-নিলোৎপল গগৈ-৫
আলফ্ৰেড বাৰ্নাড ন'বেল আৰু ন'বেল বঁটা- জয়প্ৰভা দত্ত-৭
আদাম স্মিথ- নৃপেন নাথ-৮
অৰ্থনৈতিক পৰিকল্পনা আৰু ভাৰত- নৱজিৎ দত্ত-১০
বিশিষ্ট অৰ্থনৈতিক চিন্তাবিদ সকলৰ চমু পৰিচয়- বিতুপন হাজৰিকা-১২
এইচ আই ভি- বিপুল শইকীয়া- ১৪
ভাৰতৰ অৰ্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জিলৈ গান্ধীজীৰ অৱদান আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা- ১৬
ব্যক্তিত্ব গঠন-বিস্মিতা দত্ত- ১৮
যুৱ উচ্ছৃংখলতা-সুৰেখা তাণ্টি-১৯
লোক সংস্কৃতিক দৃষ্টিভংগীত অসমৰ চাহ জনগোষ্ঠী-২১
জীৱনৰ বাৰটো মূল্য- উমাৱতী মাঝি-২২
সহজ আনন্দ- পুৰুষোত্তম দলে-২৪
সংগ্ৰাম- যুগল কিশোৰ মহন্ত-২৬
চাকৰি- মানস প্ৰতীম মহন্ত- ২৭
তিমিত জোনাক- বিতুল কলিতা- ২৮
মৰিচিকা-৩২
ৰঙীন জীৱনৰ ছবিখন- তন্ময় দত্ত-৩৪
মোৰ আশা মোৰ প্ৰেম-ইকৰাম আলি-৩৪
Economic History of India- Nikumoni Dutta-35
Swachh Bharat Abhiyan- 38
Impact of Globalisation on India-Sammujal Das-40
Science in Everyday life- Juganta Chetia-42

# বিশ্বৰ পৰিৱৰ্তিত পটভূমিত ভাৰতীয় অৰ্থনীতি

মানৱ ইতিহাসত অৰ্থনৈতিক পৰিবৰ্তন এটা স্বাভাৱিক ঘটনা। কোনো অৰ্থনৈতিক ব্যৱস্থাই ভাৰতৰ বুৰঞ্জীত যুগমীয়া নহয়। প্ৰয়োজনৰ খাতিৰত আৰু সভ্যতাৰ ক্ৰম বিকাশৰ লগে লগে অৰ্থনৈতিক ব্যৱস্থাৰো পৰিবৰ্তন হোৱা দেখা যায়। কোনো এচাম অৰ্থনীতিবিদে যদি মুক্ত অৰ্থনৈতিক ব্যৱস্থাৰ পৃষ্ঠপোষকতা কৰিছে। আন এচামে আকৌ সংৰক্ষিত বা নিয়ন্ত্ৰিত অৰ্থব্যৱস্থাৰ পৃষ্ঠপোষকতা কৰিছে। কিন্তু সময় প্ৰবাহৰ লগে লগে এই যুক্তি সমূহ দুৰ্বল হৈ পৰিছে। বৰ্তমান এনে এটি পৰ্যায়ত ৰাষ্ট্ৰ সমূহ পাইছে যে কোনো ৰাষ্ট্ৰতে সম্পূৰ্ণ মুক্ত নাইবা নিয়ন্ত্ৰিত অৰ্থনৈতিক ব্যৱস্থা দেখিবলৈ পোৱা নাযায়- কিন্তু এই দুই ব্যৱস্থাৰ সংমিশ্ৰণতহে বেছিভাগ অৰ্থনীতি পৰিচালিত হয়।

একবিংশ শতিকাৰ দুৱাৰ ডলিত ভৰি দিয়া ভাৰতীয় অৰ্থনীতি বিশ্ব অৰ্থনৈতিক প্ৰৱাহৰ পৰা পৃথক হৈ থাকিব নোৱাৰে। গতিকে অৰ্থনীতি বিষয় বস্তুটো বা নীতিটো গোটেই বিশ্বব্যাপি বাৰিষা কালৰ নদী বোৰৰ দৰে ববলৈ ধৰিছে। ইয়াৰ পৰা আতৰি থকাটো অসম্ভৱ। সেয়েহে এই নদীৰ পানীৰ সোঁত কিছু বছৰ আগৰ পৰা ভাৰতবৰ্ষতো ববলৈ ধৰিছে। ৮০ আৰু ৯০ দশকত সমগ্ৰ বিশ্বৰ অৰ্থনীতিৰ এক নাটকীয় আৰু গুৰুত্বপুৰ্ণ পৰিবৰ্তন হৈছে। এই নীতি এনে এটা গতিত আগবাঢ়িছে যে ই সমগ্ৰ পূৱ ইউৰোপ, কম বেছি পৰিমাণে ভাৰতৰ পৰা ভিয়েটনামলৈ, পেৰুৰপৰা মৰক্কোলে মহামাৰি দৰে ছানি ধৰিছে। এই দেশ সমূহে পুৰণি অৰ্থনীতি ত্যাগ কৰি তেওঁলোকৰ অৰ্থনৈতিক, ৰাজনৈতিক, সকলো ক্ষেত্ৰতে সংস্কাৰ অভিলাষী নীতি গ্ৰহণ কৰিছে। মেক্সিকো, চিলি, স্পেইন আদি দেশে নিষ্ঠাৰে এই নীতি গ্ৰহণ কৰি ইয়াৰ সুফল লাভ কৰিছে। আৰম্ভণিতে মূল্য বৃদ্ধি নিৱনুৱা সমস্যাৰ সন্মুখীন হৈছিল যদিও পৰ্য্যাপ্ত পৰিমাণৰ বৈদেশিক সাহাৰ্য্যৰ আন্ত প্ৰৱাহে এই সমস্যা দূৰ কৰিছে।

সংস্কাৰ নীতিৰ প্ৰথম আৱশ্যকীয় কথা হ'ল দেশৰ আয় অনুসাৰে ব্যয় ব্যৱস্থা কৰি বিত্তীয় ঘাটিৰ পৰিমাণ হ্ৰাস কৰা। দ্বিতীয়তে এই বিত্তীয় ঘাটি জোৰা মাৰিবৰ বাবে অৰ্থনীতি অধিক কাৰ্যক্ষম আৰু পৰিবৰ্তনশীল হ'ব লাগিব। মূলতে এইবোৰ কামৰ গুৰি চৰকাৰে ধৰিলে অতি সহজতে কামবোৰ সিদ্ধি হ'ব।

স্বাধীনতাৰ পিছৰ পৰাই অনুসৰণ কৰি অহা ভাৰতৰ পৰিকল্পিত মিশ্ৰ অৰ্থনীতিৰ বহুতো ত্ৰুটিৰ ফলত অৰ্থনীতিয়ে যি হাৰত প্ৰগতি লাভ কৰিব লাগিছিলস সেই হাৰত উন্নতিতো হোৱাই নাই বৰং অৰ্থনীতিয়ে অদক্ষতাৰ ফলত সপ্তম দহকৰ পৰাই নানা সংকটৰ সন্মুখীন হৈছে।

শ্ৰমিকৰ মজুৰি উৎপাদন ভিত্তিত নিৰ্দ্ধাৰিত হোৱা উচিত যদিও ভাৰতত সেয়া প্ৰযোজ্য নহয়। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহে তাদক্ষতা, শ্ৰমিকৰ কাম-সংস্কৃতিৰ অভাৱত সদায় বহুত পৰিমাণৰ লোকচান সন্মুখীন হ'ব লগা হৈছে। যদিও আমাৰ দৰে দুখীয়া জনগনৰ কঠুৰ কষ্টত উপাৰ্জিত ধন এইবোৰত অপচয় হয়। এই হেৰুৱা কৰ্ম সংস্কৃতি ঘূৰাই অনাটো সংস্কাৰ নীতিৰ এটা লক্ষ্য। নানা ধৰণৰ চাৰকাৰী সাহাৰ্য্য দিয়াৰ সত্বেও বেছি ভাগ উদ্যোগেই নিশকতীয়া অৱস্থাত চিৰৰুগীয়া হৈ সহাৰ্য্যৰ হাত পাতি পৰি আছে। মুদ্ৰাস্ফীতি আৰু বৈদেশিক বিনিয়োগ বা লেনদেনৰ ঘাটিয়ে ভাৰতৰ অৰ্থনীতিক চিৰৰুগীয়া কৰি ৰাখিছে। এই অৱস্থা আতৰ কৰিবলৈ সংস্কাৰ নীতিৰ প্ৰয়োজন আছে বুলি মই ভাবো। ভাৰতৰ মূল সমস্যা হ'ল চৰকাৰী হস্তক্ষেপ। এই চৰকাৰী হস্তক্ষেপৰ ফলত বৰ্তমান কিছুমান উদ্যোগ পয়ালগা হৈ আছে। এই অৱস্থাৰ দূৰিকৰণৰ কাৰণেও সংস্কাৰ নীতি অতি প্ৰয়োজন। উপাদান বৃদ্ধি, বৈদেশিক বাণিজ্যত বৰ্তমানৰ অযথা বাধা নিষেধ আদি আতৰাই এক প্ৰতিযোগীতামূলক দক্ষ ব্যৱস্থাৰ নিয়োগ কৰা হ'লে ভাৰতীয় অৰ্থনীতি আৰু আগবাঢ়িল হেতেন। বিশ্বৰ অন্যান্য দেশ সমূহৰ দৰে বিশেষকৈ অৰ্থনৈতিক পদ্ধতিৰ বিশ্ব জনীন কৰণৰ প্ৰক্ৰিয়াৰ লগে লগে ভাৰতীয় অৰ্থনীতিয়েও ইয়াৰ প্ৰতি সহাৰি জনোৱাৰ বাহিৰে অন্য কোনো উপায় নাছিল। ফলস্বৰূপে অৰ্থনীতিৰ সংস্কাৰৰ

প্ৰথম স্তৰ ছেগা চেৰেকাকৈ আৰম্ভ হ'ব ধৰিছে।

ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ প্ৰথম স্তৰ আৰম্ভ হয় প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ কাৰ্য-কালত। এই নতুন নীতিত উৎপাদনশীলতাৰ উন্নতি, আধুনিক কাৰিকৰী কৌশলৰ প্ৰয়োগ আৰু ব্যক্তিগত খণ্ডৰ ভূমিকাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। ব্যক্তিগত খণ্ডক অধিক সা-সুবিধা দিয়াৰ বাবে ব্যক্তিগত খণ্ডক প্ৰশাসনিক, বিত্তীয়, কাৰিকৰী আমদানি, ৰপ্তানি আদিৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ মূল উদ্দেশ্য আছিল দ্ৰুত অৰ্থনীতিৰ উন্নয়নৰ বাবে ব্যক্তিগত খণ্ডক উৎসাহ প্ৰদান কৰা আৰু অৰ্থনীতিক আধুনিকৰণৰ ফালে আগবঢ়াই নিয়া।

কিন্তু ভাৰতৰ প্ৰথম স্তৰৰ অৰ্থনৈতিক সংস্কাৰে বেছিভাগ ক্ষেত্ৰতে আশা কৰা মতে ফল দিব নোৱাৰিলে, বিশেষকৈ শিথিল আমদানি নীতিৰ বাবে বৈদেশিক দেনা-পাওনাৰ ঘাটিৰ পৰিমাণ সপ্তম পৰিকল্পনাত ষষ্ঠ পৰিকল্পনাৰ দুগুন হ'ল। এই অৱস্থাৰ পৰা ৰক্ষা পৰাৰ বাবে আৰু অৰ্থনীতিক প্ৰকৃত পথলৈ ঘূৰাই অনাৰ বাবে ১৯৯১ চনত ভাৰতৰ তেতিয়াৰ বিত্ত মন্ত্ৰী ড° মনমোহন সিঙে কিছুমান নীতি গ্ৰহণ কৰে আৰু ইয়াৰ পৰাই দ্বিতীয় স্তৰৰ সংস্কাৰ আৰম্ভ হয়।

১৯৯১ চনত ভাৰতীয় অৰ্থনীতি এনেকুৱা এটা সংকটৰ সন্মুখীন হৈছিল যে প্ৰায় ধ্বংসৰ দুৱাৰ ডলিত ভৰি দিছিল। বৈদেশিক লেনদেনৰ ঘাটি বৃদ্ধি হৈ বিদেশী মুদ্ৰাৰ ভৰাল উদং হৈছিল। ভাৰতীয় মুদ্ৰাই আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বিশ্বাসযোগ্যতা হেৰুৱাইছিল আৰু মুদ্ৰাস্ফীতিৰ হাৰ বেলেগ বছৰতকৈ উচ্চ হৈছিল।

এই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ধ্বংস মুখী অৰ্থনীতিক মৃত্যুৰ গৰাহৰ পৰা ৰক্ষা কৰাৰ অৰ্থে নৰসিংহ ৰাও চৰকাৰে কিছুমান নতুন ব্যৱস্থা গ্ৰহণ কৰে। ইয়াৰ ভিতৰত উদ্যোসমূহৰ মাজত প্ৰতিযোগিতাৰ ক্ষমতা বৃদ্ধিৰ বাবে উদ্যোগনীতিৰ সংস্কাৰ কৰা, দেনা, পাওনাৰ ঘাটিৰ পৰিমাণ হ্ৰাস কৰিবলৈ ৰপ্তানি বৃদ্ধিৰ বাবে উৎসাহ যোগোৱা চৰকাৰী খণ্ডৰ দক্ষতা বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ, বিত্তীয় স্থিৰতা ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ আদিয়ে প্ৰধান।

এই সংস্কাৰ ব্যৱস্থাবোৰে ততাতৈয়াকৈ যদিও চকুতলগা ধৰণে ফল দিব পৰা নাছিল তথাপিও এই নীতিৰ পৰা ভাৰতে সুস্বাস্থ্যৰ অনুভৱ কৰিছিল। ২০১১-১২ চনত সংস্কাৰ ব্যৱস্থাৰ পৰিমাণ বিশ্লেষণ কৰিলে দেখা যায় যে মুদ্ৰীস্ফীতিৰ পৰিমাণ শতকৰা ১৭ শতাংস পৰা ৪.৫ % হ্ৰাস পায়। অৰ্থনৈতিক উন্নয়নৰ হাৰ শতকৰা ১.৫ ভাগৰ পৰা শতকৰা ৫ ভাগলৈ বৃদ্ধি পাইছিল। বৃত্তীয় ঘাটিৰ পৰিমানো যথেষ্ট হ্ৰাস পাইছিল।

সাধাৰণভাৱে বেছিভাগ লোকে ভাৰতৰ অৰ্থনৈতিক সংস্কাৰক আদৰণি জনাইছে যদিও নানা ধৰণে ই সমালোচনাৰো সন্মুখীনো হৈছে। সংস্কাৰনীতিয়ে মুদ্ৰাস্ফীতি সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিবৰ পৰা নাই। তদুপৰি বিত্তীয় ঘাটিৰ পৰিমানো চকুত লগা ধৰণে হ্ৰাস কৰিব পৰা নাই। ৰাজ্য সাহাৰ্য্যৰ পৰিমান প্ৰথম দুটা বছৰত হ্ৰাস পাইছিল যদিও পিছৰ বছৰত এই গতি ৰক্ষা কৰিব পৰা নাই। আন্তৰাষ্ট্ৰীয় মুদ্ৰা নিধি আৰু বিশ্ব বেংকৰ ওচৰত অধিক ঋণ লাভৰ আশাত দেশৰ সাবভৌমত্ব বিক্ৰী কৰা হৈছে বুলি সমালোচক সকলে কয়। এই নীতিৰ প্ৰধান গুৰি ধৰোতা ড° মনমোহন সিঙে নিজেই কৈছে যে ৰাজনৈতিক ব্যৱস্থাৰ বাবে প্ৰশাসনীয় দিশত শিথিল নীতি ঠিকমতে মানি চলা নাই।

ভাৰতীয় বিখ্যাত অৰ্থনীতিবিদ পি. আ. ব্ৰহ্মানন্দই সন্দেহ প্ৰকাশ কৰি কৈছিল যে পুনঃ বিণ্যাস ঠিকমতে নকৰাকে সংস্কাৰ নীতি প্ৰৱৰ্তন কৰিলে ভাৰতীয় অৰ্থনীতি সংস্কাৰে চাকনৈয়াত পৰিব পাৰে আৰু ইয়াৰ ফলত লেটিন আমেৰিকাৰ দেশসমূহৰ দৰে ভাৰতৰো অৱস্থা হ'ব পাৰে।

সংস্কাৰ ব্যৱস্থাৰ সত্বেও ভাৰতীয় অৰ্থনীতিৰ ভয়াবহ সমস্যাসমূহ এতিয়াও আঁতৰ হোৱা নাই। যিমানে সমালোচনা নকৰো কিয় বৰ্তমান সংকটকালীন অৱস্থাত ভাৰতীয় অৰ্থনীতিৰ বাবে সংস্কাৰৰ কোনো বিকল্প নাই। গতিকে অৰ্থনীতি বিদ, ৰাজনৈতিক বিদ, সমাজ সচেতন লোক তথা জনসাধাৰণে তেখেতসকলৰ ভিন্নতা পাহৰি এই নীতি কৃত-কাৰ্য কৰিবলৈ সহযোগ আগবঢ়ালে ভাৰতে হেৰুৱা সুস্বাস্থ্য ঘূৰাই পাব।

নিলোৎপল গগৈ
স্নাতক ১ ম ষান্মাসিক

# আলফ্ৰেড বানাৰ্ড ন'বেল আৰু ন'বেল বঁটা

বৰ্তমান বিশ্বৰ আটাইতকৈ সন্মানীয় ন'বেল পুৰস্কাৰৰ পিতৃ স্বৰূপ আলফ্ৰেড বানাৰ্ড ন'বেলৰ জন্ম হয় ১৯৩৩ চনৰ ২১ অক্টোবৰত। ছুইডেনত জন্ম লাভ কৰা আলফ্ৰেৰ্ডৰ পিতৃৰ নাম আছিল ইমানুৱেল আৰু মাতৃ নাম আছিল অ'লপ ৰুডবেক। ছুইডেনৰ সৰ্বকালৰ স্মৰণীয় বিজ্ঞানী আলফ্ৰেৰ্ড বানাৰ্ড ন'বেল ইংৰাজী, জামাৰ্নী, ৰাছিয়ান আৰু ছুইডিছ স্পষ্টকৈ ক'ব পাৰিছিল। ন'বেলে ১৮৬৪ চনত নইট্ৰ গ্লিছাৰিণ নামৰ এবিধ জুলীয়া উৎপাদনৰ কাম কৰিছিল আৰু এই পদাৰ্থবিধ প্ৰস্তুত কৰোতে হ'ব পৰা বিস্ফোৰণ হ্ৰাস কৰাৰ কাৰণে চিন্তা চৰ্চা আৰু পৰীক্ষা নিৰীক্ষা কৰাৰ ফলত ডিনামাইট আৱিস্কৃত হয়। ১৮৭৬ চনত তেওঁ ডিলেটিন প্ৰস্তুত কৰি উলিয়াই। তেওঁৰ অন্য এটা আৱিস্কাৰ হ'ল নাইট্ৰ গ্লিছাৰিনৰ পৰা নিৰ্মিত প্ৰথমটো ধোৱাবিহীন পাউদাৰ।

ন'বেলে তেওঁৰ সমস্ত সম্পত্তি এখন ইচ্ছাপত্ৰৰ দ্বাৰা বিশ্বৰ আটাইতকৈ সন্মানীয় ন'বেল পুৰস্কাৰৰ বাবে দান দি গৈছিল। তেখেতৰ তেতিয়াৰ সম্পত্তিৰ পৰিমাণ আছিল ৯২ লাখ ডলাৰ। তেওঁৰ ইচ্ছামতেই এই সম্পত্তিৰ আয়ৰ পৰা প্ৰতিবছৰে নৱেম্বৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত এই বঁটা বিজয়ীৰ নাম ঘোষণা কৰা হয়। ১৯০১ চনৰ পৰা প্ৰদান কৰি অহা এই বঁটা দিয়া হয় মুঠ ছটা বিষয়ত। সেই বিষয় কেইটা হ'ল- পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, সাহিত্য, শান্তি আৰু অৰ্থনীতি। প্ৰথম অৱস্থাত প্ৰথম পাঁচটা বিষয়তহে এই বঁটা প্ৰদান কৰা হৈছিল। কিন্তু ১৯৬৯ চনৰ পৰা অৰ্থনীতি বিজ্ঞানতো এই বঁটা প্ৰদান কৰি অহা হৈছে। আলফ্ৰেড ন'বেলৰ ইচ্ছানুসৰি নৰৱেৰ দুটা প্ৰতিষ্ঠান আৰু ছুইডেনৰ তিনিটা প্ৰতিষ্ঠানে এই বঁটা প্ৰদান কৰে।

ন'বেল পুৰস্কাৰ বিজয়ীজনক এই পুৰস্কাৰৰ বাবদ এটা সোণৰ পদক, এখন প্ৰশস্তি পত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়।

নোবেল কমিটিয়ে ২০১৫ চনৰ বিভিন্ন বিভাগৰ ন'বেল বঁটা বিজয়ী লোকসকলক বাছনি কৰি উলিয়াইছে। নিজৰ কৰ্মৰ মাজেৰে এনে এখন সৰ্বশ্ৰেষ্ঠ আন্তজাৰ্তিক মঞ্চত নিজকে পৰিচয় দিবলৈ সক্ষম হোৱা ব্যক্তিসকল হ'ল-

২০১৫ চনৰ প্ৰদাৰ্থ বিজ্ঞানৰ নোবেল বঁটাৰ বাবে জাপানৰ 'টাকাকি কাজিটা' আৰু কানাডাৰ 'আৰ্থাৰ বি মেকড'নাল্ডক 'নিউট্ৰিন দোলনপৰীক্ষাগাৰত আৱিস্কাৰ কৰাৰ বাবে দুয়োগৰাকীক যৌথভাৱে নিৰ্বাচিত কৰা হৈছে।

আমাৰ দেহৰ DNA মেৰামতি কেনেকৈ ঘটে তাৰ ব্যাখ্য আগবঢ়োৱাৰ বাবে ২০১৫ চনৰ ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা লাভ কৰে- 'টমাছ লিওল, পল, ম'ডাৰিচ আৰু আজিৰ্জ চ'নচাৰে'।

উইলিয়াম কেম্বেল, ইউ-টু, ছাটোচি ওমুৰা নামৰ এই তিনিজন ব্যক্তিক এভাৰমেক্টিন আৰু মেলেৰিয়া ৰোগৰ এবিধ নতুন অতি ফলপ্ৰসু ঔষধ আৰ্টিমেনিক ন'বেল বঁটাৰ বাবে নিৰ্বাচিত হয়- বেলাৰুচ লেখিকা স্বাটলানা এলোক্সিভিচ।

শান্তি ন'বেল বঁটাৰ বাবে নোবেল বঁটা নিৰ্বাচক সমিতিয়ে ঘোষণা কৰিছে- টিউনিচিয়ান নেশ্যনেল ডায়লগ কোৱাৰ্টেট সংগঠনটোৰ নাম।

দৰিদ্ৰতা দূৰ কৰা আৰু জনতাৰ কল্যাণ সাধন কৰা সূত্ৰ আগবঢ়োৱাৰ বাবে ২০১৫ চনৰ অৰ্থনীতিৰ ন'বেল বটা আগবঢ়োৱা হৈছে এংগাছ ডিটনলৈ।

প্ৰতিবছৰে আলফ্ৰেড বাৰ্নাড ন'বেলৰ স্মৃতিত আন্তঃ ৰাষ্ট্ৰীয় ন'বেল বঁটা প্ৰদান কৰা হয়। যিসকল লোকে নিজৰ কৰ্ম প্ৰতিভাৰে এনে বিৰল সন্মানৰ আভোষণ পিন্ধিবলৈ সক্ষম হৈছে তেওঁলোক প্ৰত্যেকেই আমাৰ অনুপ্ৰেৰণাৰ উৎস।

শ্ৰীমতী জয়প্ৰভা দত্ত
স্নাতক ১ ম যান্মাসিক

# আদাম স্মিথ

আদাম স্মিথে অৰ্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীত এক নতুন যুগৰ সূচনা কৰে। তেওঁৰ অৱদানৰ মাজেৰে সিচঁৰিত হৈ থকা অৰ্থনৈতিক চিন্তাধাৰাই এক পদ্ধতিগত ৰূপ লাভ কৰে আৰু ইয়েই আধুনিক অৰ্থবিজ্ঞনৰ বিকাশৰ পথ প্ৰশস্ত কৰি তোলে।

আদাম স্মিথ ১৭২৩ চনৰ ৫ জুন তাৰিখে স্কটলেণ্ডৰ কিৰকেলডিত জন্ম গ্ৰহণ কৰিছিল। ১৭৪০ চনলৈ তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি স্নাতক ডিগ্ৰী লাভ কৰে। ১৭৫১ চনত তেওঁ গ্লাছগ' বিশ্বাবিদ্যালয়ত দৰ্শনৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰে। একে বছৰতে তেওঁক Moral Philosophi ৰ আসনো প্ৰদান কৰা হয়। ১৭৫৯ চনত তেওঁৰ 'Theory of moral Sentiments' গ্ৰন্থ প্ৰকাশ পায়। ১৭৬২ চনত গ্লাছগ' বিশ্ববিদ্যালয়ে আদাম স্মিথক এল. এল ডি. ডিগ্ৰীৰে অলংকৃত কৰে। ১৭৭৬ চনত প্ৰকাশ পোৱা গ্ৰন্থই ২০০ বছৰ পাৰ হৈ যোৱাৰ পাছতো বিপুল সমাদৰ লাভ কৰি আছে। তেওঁৰ আন এখন গ্ৰন্থ হ'ল The wealth of nations'- এ সম সাময়িক ৰাজনৈতিক অৰ্থ বিজ্ঞানত এক আলোড়নৰ সৃষ্টি কৰে। আদাম স্মিথেই হ'ল প্ৰথমজন অৰ্থনীতিবিদ, যি অৰ্থনৈতিক সমস্যাবোৰ পদ্ধতিগত ভাৱে ব্যাখ্যা কৰিছে। আলেক জেণ্ডাৰ গ্ৰে'ৰ মতে আদাম স্মিথৰ পূৰ্বে অৰ্থনৈতিক আলোচনা বিলোচনা হৈছে যদিও তেওঁৰ দিনৰ পৰাহে অৰ্থবিজ্ঞানলৈ পদ্ধতিগত আলোচনা আৰম্ভ হয়।

আদাম স্মিথক অৰ্থনীতি বিজ্ঞানৰ জনক এই কাৰণেই বোলা হয় যে তেওঁৱেই প্ৰথমে অৰ্থনীতি বিজ্ঞানৰ কিছুমান বিধি অৱতাৰণা কৰিছিল বা এইটোও হয় যে তেওঁ উদঘাটন কৰা ভাৱৰাশিৰ দ্বাৰা অৰ্থনৈতিক চিন্তা চৰ্চাৰ এক আমূল পৰিবৰ্তন আহিছিল।

আদাম স্মিথৰ The wealth of Nations; গ্ৰন্থ প্ৰকাশ হোৱাৰ পূৰ্বে বহুতো চিন্তাবিদে অৰ্থনৈতিক সমস্যা সম্পকে আলোচনা কৰিছিল এই সকলৰ ভিতৰত ফ্ৰান্সৰ প্ৰকৃতিবাদীসকল আৰু ইউৰোপৰ সদাগৰী ব্যৱস্থা পৃষ্ঠপোষকসকল বিশেষভাৱে উল্লেখনীয়। তেওঁলোকৰ দ্বাৰা স্মিথ অনুপ্ৰাণিত হৈছিল। তেওঁৰ মতে সেই সময়লৈকে প্ৰকাশ পোৱা অৰ্থনৈতিক বিষয়ৰ সকলো আলোচনাৰ ভিতৰত প্ৰকৃতিবাদীসকলৰ বৰঙণি আটাইতকৈ বেছি উল্লেখনীয়। কাৰণ এই লিখনি সমূহে অৰ্থনৈতিক মূল সত্য সমূহৰ ওচৰ চাপিব পাৰিছিল, যদিও এইবোৰ সম্পূৰ্ণ ত্ৰুটিমুক্ত নাছিল। প্ৰকৃতিবাদী সকলৰ উপৰিও ইউৰোপত বৰ্ত্তি থকা সদাগৰী ব্যৱস্থা পৃষ্ঠপোষক সকলৰ আৰ্থিক মতামতৰ এক নিৰ্দিষ্ট দিশ আৰু বৈজ্ঞানিক দৃষ্টিভংগী নাছিল। সেয়েহে অৰ্থনীতি বিজ্ঞানৰ শাৰীলৈ এইবোৰ উন্নীত কৰাৰ দ্বায়িত্ব আহি পৰিল আদাম স্মিথৰ ওপৰত। এই ক্ষেত্ৰত সফল হোৱাৰ বাবে আদাম স্মিথক অৰ্থবিজ্ঞানৰ জনক বুলি কোৱাত কোনো সন্দেহ থাকিব নোৱাৰে।

স্মিথৰ এই অৱদান যে বহুমূলীয়া তাক তেওঁৰ অনুগামী জে. বি. ছেৰ কথাৰে- "When we read

this work, we feel that Previous to smith there was no such thing as Politicl Economy." অন্য অৰ্থত, স্মিথৰ The wealth of Nations গ্ৰন্থ পৰৱৰ্তী অৰ্থনীতিবিদ সকলৰ পথ প্ৰদৰ্শন স্বৰূপ আছিল। অৰ্থনৈতিক তত্ত্বৰ আমূল পৰিবৰ্তন হোৱা সাম্প্ৰতিক কালতো স্মিথৰ তত্ত্বসমূহ মূল্যহীন হৈ পৰা নাই। মূলতঃ আদাম স্মিথে অৰ্থনীতি বিজ্ঞানৰ আধাৰশিলা স্থাপন কৰিলে আৰু তাৰ ভিত্তিতে অৰ্থনীতি বিজ্ঞানে পৰৱৰ্তী কালত বিকাশ লাভ কৰিবলৈ সমৰ্থ হ'ল।

স্মিথৰ পূৰ্বে অৰ্থনীতি আছিল এটা অসংযত ব্যৱস্থা মাথোন। সিচঁৰিত থকা বিভিন্ন সূত্ৰ আৰু আলোচনাসমহ এক বিজ্ঞান সন্মত ৰূপত স্মিথে সজাই পৰাই তোলে। তেওঁৰ চিন্তাধাৰ আৰু বিশ্লেষণৰ মাজত সামঞ্জস্যও আছে। তেওঁ প্ৰকৃতিবাদী সকলৰ পৰাও কেইবাটাও ধাৰণা গ্ৰহণ কৰিছিল। কিন্তু এইবোৰ অন্ধভাৱে অনুকৰণ কৰা নাছিল। এই ধাৰণাসমূহ তেওঁ চালি জাৰি চাই বিজ্ঞান সন্মতভাৱে সত্যতা নিৰূপন কৰি তেওঁৰ লিখনিত স্থান দিছিল আৰু আৱশ্যক হ'লে প্ৰকৃতিবাদী সকলৰ ধাৰণা নুই কৰিছিল। সেয়েহে The wealth of Nations' তেওঁৰ মৌলিক অৱদান নহয় বুলি ক'ব নোৱাৰি।

দৰ্শন আৰু ইতিহাস আছিল অৰ্থনীতি বিজ্ঞানৰ পিতৃ স্বৰূপ। পূৰ্বৰ লিখক সকলে অৰ্থনৈতিক জীৱনৰ বিভিন্ন দাৰ্শনিক আৰু ব্যৱহাৰিক সমস্যা ব্যক্তিগতভাৱে অধ্যয়ন কৰিছিল। এই ব্যক্তিগত খণ্ডত জ্ঞানক একক অৰ্থনৈতিক অধ্যয়নলৈ ৰূপান্তৰ কৰিবলৈ প্ৰথম চেষ্টা চলাইছিল প্ৰকৃতিবাদীসকলে। তেওঁলোকে অৰ্থনৈতিক জীৱনৰ ব্যাখ্যাকাৰী নীতি উদ্ভাৱন কৰি অৰ্থনীতি বিজ্ঞানৰ এটা সাধাৰণ বৈশিষ্ট্য দাঙি ধৰিছিল। কিন্তু এই ব্যক্তিগত অধ্যয়নসমূহৰ মাজত এক সমন্বয় আৰু যোগসূত্ৰ স্থাপন কৰাটো সম্ভৱপৰ হৈ উঠা নাছিল। এক মুক্ত মনৰ দাৰ্শনিক, ঐতিহাসিক আৰু বিজ্ঞান সন্মত অভিজ্ঞতা বিশিষ্ট মনিষীৰ অভাৱৰ বাবে এই দায়িত্ব পালন কৰিছিল আদাম স্মিথে। তেওঁৰ ব্যক্তিত্বত বিভিন্ন গুণৰ অধিকাৰী আছিল। তেওঁ একেধাৰে পদ্ধতিগতভাৱে বিষয়সমূহ উপস্থাপন কৰিব পাৰিছিল, প্ৰাপ্ত তথ্য সমূহক সাৱধানে অনুসন্ধান কৰিছিল। আৰু সিবিলাকক শীতল মগজুৰে আৰু সচেতনতাৰে সমালোচনা কৰিছিল। ইয়াৰ ফলত The wealth of Nations' নামৰ এই বিখ্যাত গ্ৰন্থখন ৰচনা হয় আনহাতে এক নতুন বিজ্ঞানৰ জন্ম হয়।

'The wealth of Naions' গ্ৰন্থখনত সেই যুগত বৌদ্ধিক জ্ঞান প্ৰতিফলিত হৈছে আৰু ইয়াতেই আদাম স্মিথে কৃতিত্ব লাভ কৰিছে। এই গ্ৰন্থত আদাম স্মিথৰ শ্ৰম বিশিষ্ট সাধনা আৰু ব্যৱসায় বিশিষ্ট ধাৰণাৰ সমাহাৰ ঘটিছে। ব্যৱসায় বিশিষ্ট ধাৰণাৰ ক্ষেত্ৰত তেওঁ প্ৰকৃতিবাদী লিখক আৰু দৰ্শনিকৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল।

নৃপেন নাথ
স্নাতক ১ ম ষান্মাসিক

# অৰ্থনৈতিক পৰিকল্পনা আৰু ভাৰত

ছয় দশকতকৈ অধিক সময় সামৰি লোৱা ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনৈতিক উন্নয়নৰ ব্যাখ্যা দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমে ১৯৫০-৫১ চনৰ পৰা ১৯৯০-৯১ চনলৈ আৰু দ্বিতীয়তে ১৯৯১-৯২ চনৰ পৰা বৰ্তমানলৈ।

১৯৫০-৫১ চনৰ পৰা ১৯৯০-৯১ চনৰ সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ গুৰিবঠা ধৰিছিল ৰাজহুৱা খণ্ডই। ব্যক্তিগত খণ্ডৰ ভূমিকা আছিল গৌণ। উল্লেখ যোগ্য যে গুৰিৰেপৰা ভাৰতবৰ্ষৰ আৰ্থিক ব্যৱস্থা হৈছে মিশ্ৰিত আৰ্থিক ব্যৱস্থা। যি আৰ্থিক ব্যৱস্থাত ৰাজহুৱা খণ্ড বা চৰকাৰী খণ্ড আৰু ব্যক্তিগত খণ্ডৰ সহাৱস্থান হয় সেই আৰ্থিক ব্যৱস্থাই হ'ল মিশ্ৰিত আৰ্থিক ব্যৱস্থা। ভাৰতীয় পৰিকল্পনাৰ প্ৰথমছোৱা সময়ত ৰাজহুৱা খণ্ডৰ তুলনাত ব্যক্তিগত খণ্ডৰ গুৰুত্ব কম আছিল। ভাৰতবৰ্ষৰ উদ্যোগিক নীতিয়ে সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰাক এক প্ৰধান লক্ষ্য হিচাপে গ্ৰহণ কৰিছিল। স্বাভাৱিকতেই অৰ্থনৈতিক উন্নয়নত ৰাষ্ট্ৰৰ ভূমিকাই প্ৰাধান্য লাভ কৰে।

এই সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ মূল লক্ষ্য সমূহ আছিল ঃ (১) অৰ্থনৈতিক উন্নয়নৰ হাৰ ক্ষিপ্ৰ কৰি তোলা, (২) আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগৰ ওপৰত গুৰুত্ব প্ৰদান কৰা, (৩) আত্মনিভৰ্শীলতা অৰ্জন কৰা, (৪) সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। দুবাৰকৈ সীমান্তত সংঘটিত হোৱা যুদ্ধ (১৯৬১-৬২ চনত চীন দেশৰ সৈতে আৰু ১৯৬৫ চনত পাকিস্তানৰ সৈতে হোৱা যুদ্ধ সময়ে সময়ে দেখা দিয়া অনাবৃষ্টি আৰু ৰাজনৈতিক দৃশ্যপাটি পৰিবৰ্তনৰ ফলত ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ হাৰ আশানুৰূপ নহ'ল। এই সময়ছোৱাত ঘৰুৱা জাতীয় আয় বৃদ্ধিৰ হাৰ গড় হিচাপত ৩.৫ শতাংশহে আছিল। অৱশ্যে জাতীয় উৎপাদনলৈ সেৱা খণ্ড (বেংক, বীমা, পৰিবহন, ব্যৱসায় ইত্যাদি) ৰ বৰঙণী বৃদ্ধি হ'ল। এই বৰঙণীৰ পৰিমাণ ১৯৫০-৫১ চনৰ ২৮ শতাংশৰ পৰা ১৯৯০-৯১ চনত ৪০.৫ শতাংশ হ'লগৈ। অৰ্থাৎ কৃষিৰ ওপৰত নিৰ্ভৰশীলতা কিছু পৰিমানে হ্ৰাস হয়। এই সময়ছোৱাত কৃষিৰ বৰঙণী ৫৯ শতাংশৰ পৰা ৩৪.৯ শতাংশলৈ কমি আহিছিল। ষাঠি দশকৰ মাজভাগত ভাৰতবৰ্ষত সেউজ বিপ্লৱৰ সূচনা হয়। আধুনিক প্ৰযুক্তি বিদ্যা প্ৰয়োগ কৰি কৃষি খণ্ডৰ উৎপাদনৰ পৰিমান বৃদ্ধিয়ে হ'ল সেউজ বিপ্লৱ। অৱশ্যে এই বিপ্লৱৰ প্ৰভাৱ ধনী ৰাজ্য সমূহ যেনে পঞ্জাৱ, হাৰিয়ানা আৰু কেইবিধ মান শস্য ধান আৰু ঘেহুঁ তেই সীমাবদ্ধ নহয়।

ভাৰতবৰ্ষৰ পৰিকল্পনা অৰ্থনৈতিক উন্নয়নৰ দ্বিতীয় ছোৱা ১৯৯১-৯২ চনৰ পৰা বৰ্তমানলৈ সামৰি লেছে। মন কৰিব লগীয়া যে এই সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধিত হ'ল। উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণৰ গুৰুত্ব বৃদ্ধি পালে আৰু ৰাজহুৱা খণ্ডৰ গুৰুত্ব হ্ৰাস পালে। এই তাপৰ্য্যপূৰ্ণ পৰিৱৰ্তনৰ তিনিটা মূল কাৰণ আছে। প্ৰথম চৰকাৰী ব্যয় বৃদ্ধিৰ হাৰতকৈ চৰকাৰী আয় বৃদ্ধি কম হোৱাৰ বাবে বৃহৎ বৃত্তীয় ঘাটিলৈ দেখা দিছিল। ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহত চৰকাৰী বিনিয়োগৰ পৰিমান বৃদ্ধি কৰা হৈছিল যদিও তেনে ভালেমান উদ্যোগে লোকচান ভৰিবলগীয়া হয়। ১৯৯০ চনৰ মাৰ্চ মাহত ২৮৮ টা ৰাজহুৱা খণ্ডৰ লোকচান ভৰা উদ্যোগৰ ভিতৰত ৫৮ টা ৰুগ্ন হৈ পৰিছিল। দ্বিতীয়তে

প্ৰধানকৈ সিমীত উৎপাদনৰ ফলত সৃষ্টি হোৱা মুদ্ৰাস্ফীতি বা সা-সামগ্ৰীৰ নেৰানেপেৰা মূল্যবৃদ্ধিয়ে বিশেষকৈ সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকক বাৰুকৈয়ে জুৰুলা কৰিলে। তৃতীয়তে ১৯৯০-৯১ চনত ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ ছবিখন ভয়াবহ হৈ পৰিছিল। নিম্নগ্ৰামী ভাৰতীয় অৰ্থনীতিত বিদেশৰ পৰা মূলধন অহাটো কমি গৈছিল। আনহাতে ভাৰতীয় অৰ্থনীতিৰ পৰা মূলধনৰ বহিৰ্গমণ হৈছিল। ফলস্বৰূপে ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ ঘাটিৰ পৰিমাণ উদ্বেগজনক হৈ পৰিছিল। এনে এক দুযোগপূৰ্ণ সময়ত বিশ্ব বেংকেও পৰামৰ্শ আগবঢ়ালে যে ভাৰতীয় অৰ্থনীতিৰ গাথনিমূলক পৰিৱৰ্তন হ'ব পাৰে। এনে এক পটভূমিতেই সেই সময়ত পি. ভি. নৰসিংহ ৰাও নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অৰ্থনৈতিক সংস্কাৰ কাৰ্য্যসূচী প্ৰৱৰ্তন কৰিলে। এই কাৰ্যসূচীয়ে উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ বা বিশ্বায়নৰ কাৰ্য্যসূচীক উদ্‌গনি যোগাইছিল।

অৰ্থনৈতিক সংস্কাৰৰ অংশ হিচাপে যিবোৰ কাৰ্যসূচী চৰকাৰে গ্ৰহণ কৰিছে সেইবোৰৰ পৰা কিছু সুফল নাই পোৱা বুলি ক'লে ভুল কৰা হ'ব। প্ৰথম অৰ্থনৈতিক উন্নয়নহাৰ বৃদ্ধি হৈছে। প্ৰকৃততে ২০০৫-০৬, ২০০৬-০৭ আৰু ২০০৭-০৮ চনত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল যথাক্ৰমে ৯.৫ শতাংশ, ৯.৭ শতাংশ আৰু ৯.২ শতাংশ। ১৯৫১ চনৰে পৰা এতিয়ালৈকে ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ হাৰে পূৰ্বে এই উচ্চতা স্পৰ্শ কৰিব পৰা নাছিল। ২০০৯-১০ চনৰ পৰা ২০১২-১৩ চনলৈ গড় হিচাপত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল ৬.৭ শতাংশ শেহতীয়াকৈ অৰ্থনৈতিক সমীক্ষা অনুসৰী ২০১৩-১৪ চনত বাৰ্ষিক উন্নয়নৰ হাৰ আছিল ৭.২ শতাংশ।

দ্বিতীয়তে পাইকাৰি মূল্যসূচী পূৰ্বৰ তুলনাত হ্ৰাস হৈছে। অৱশ্যে খুচুৰা মূল্যসূচী সেই একে হাৰত কমি অহা নাই।

তৃতীয়তে, ভাৰতবৰ্ষৰ কেন্দ্ৰীয় বেংক (ৰিজাৰ্ভ বেংক)ত জমা হোৱা বৈদেশিক বিনিময়যোগ্য মুদ্ৰাৰ পৰিমাণ বৃদ্ধি হৈছে। এই পৰিমান বৰ্তমান (জুলাই, ২০১৫) ৩২৮৭ বিনিময় (১ বিলিয়ন=১০০ কোটি বা ১০০ নিযুত) ডলাৰ হৈছে। এই জমাৰ পৰিমাণে ভাৰতবৰ্ষৰ অহা ৭ মাহৰ আমদানিৰ মূল্য সামৰি ল'ব। উল্লেখযোগ্য যে ১৯৯০-৯১ চনৰ ৰিজাৰ্ভ বেংকত জমা থকা এনে মুদ্ৰা মাত্ৰ ১৫ দিনৰ আমদানিৰ বাবেহে যথেষ্ট আছিল।

অৰ্থনৈতিক সংস্কাৰ কাৰ্য সূচীয়ে কেতবোৰ সমস্যাৰো সৃষ্টি নকৰাকৈ থকা নাই। প্ৰথম এই সংস্কাৰ নীতিয়ে প্ৰতিযোগিতাৰ প্ৰসাৰ আৰু তীব্ৰতা দুয়োটাই বৃদ্ধি কৰিছে। বিভিন্ন ধৰণৰ সা-সামগ্ৰী বজাৰলৈ আহিব ধৰিছে। এই প্ৰতিযোগিতা সুস্থ হ'ব লাগিলে জনসাধাৰণৰ ক্ৰয় ক্ষমতাৰ পৰিমাণ বৃদ্ধি হ'ব লাগিব। দ্বিতীয়তে পণ্য পাতিৰ অত্যাধিক আসক্তিয়ে ভোগবাদী অৰ্থনীতিৰ সৃষ্টি কৰিলে সি নৈতিকতাৰ প্ৰতি এক ভাবুকি হ'ব পাৰে। তৃতীয়তে গোলকীকৰণৰ বাবে দেশখনে বা সমূহ জনসাধাৰণে নিজৰ পৰিশ্ৰয় হেৰুৱাব নেলাগিব। চতুৰ্থতে বজাৰ কেন্দ্ৰীক অৰ্থনীতিয়ে যাতে দৰিদ্ৰ সকলক বঞ্চিত কৰিব নোৱাৰে সেইটো নিশ্চিত কৰিবলৈ সু-পশাসন ব্যৱস্থা এটা বাহাল থকাটো প্ৰয়োজনীয়। ইতিমধ্যে বেংকত হিচাপ ৰখাৰ যি সহজ ব্যৱস্থা পৱৰ্তন কৰা হৈছে তাৰ বাবে বহুসংখ্যক ভাৰতীয় নাগৰীক বেংকৰ আওতাৰ ভিতৰত আহিব পাৰিছে। এনে ব্যৱস্থাৰ অন্তভূক্তিকৰণ হ'ল এটা প্ৰক্ৰিয়া যত অৰ্থনৈতিক উন্নয়নৰ সুফলবোৰৰ পৰা সমাজৰ কোনো শ্ৰেণীৰ লোক যাতে বাহিৰত নাথাকে সেইটো সুনিশ্চিত কৰা।

নৱজিৎ দত্ত
স্নাতক ১ ম ষান্মাসিক

# বিশিষ্ট অৰ্থনৈতিক চিন্তাবিদসকৰ চমু পৰিচয়

| ক্ৰঃ নং | নাম | জীৱকাল | ভাৱধাৰা | দেশ | প্ৰধান ৰচনাৱলী |
|---|---|---|---|---|---|
| ১ | প্লেট' | খ্ৰীঃপূঃ ৪২৭-৩৪৭ | প্ৰাচীন | গ্ৰীক | (i) The Republic (ii) The laws. |
| ২ | এৰিষ্ট'টল | খ্ৰীঃপূঃ ৩৮৪-৩২২ | প্ৰাচীন | গ্ৰীক | (i) The Ethics (ii) The Politics |
| ৩ | থমাছ একুইনাছ | ১২২৫-১২৭৪ | মধ্যযুগ | লেটিন | Summa theologica |
| ৪ | ফ্ৰেঙ্কইচ কুৱেছলে | ১৬৯৪-১৭৭৪ | প্ৰকৃতিবাদী | ফৰাচী | Economics tables |
| ৫ | আদাম স্মিথ | ১৭২৩-১৭৯০ | সংস্থাপনবাদী | ইংলেণ্ড | Weath of Nations. |
| ৬ | থমাছ ৰৰ্বাট মালথাছ | ১৭৬৬-১৮৩৪ | সংস্থাপনবাদী | ইংলেণ্ড | An Essay on the Principle of Population. |
| ৭ | ডেভিদ ৰিকাড' | ১৭৭২-১৮২৩ | সংস্থাপনবাদী | ইংলেণ্ড | The Principle of Political Economy and taxation |
| ৮ | নাছাউ ছিনিয়ৰ | ১৭৯০-১৮৬৪ | সংস্থাপনবাদী | ইংলেণ্ড | Industrial Efficiency and Social Economies |
| ৯ | জে. বি. ছে | ১৭৬৭-১৮৩২ | সংস্থাপনবাদী | ফৰাচী | Political Economy. |
| ১০ | ফ্ৰেড্‌ৰিক লিট | ১৭৮৯-১৯৪৬ | জাতীয়তাবাদী | জাৰ্মানী | Outline of Americal Political Economy. |
| ১১ | জে. এছ. মিল | ১৮০৬-১৮৭৩ | সংস্থাপনবাদী | ইংলেণ্ড | Principal of Political Economy. |
| ১২ | ৰ'ছাৰ | ১৮১৭-১৮৯৬ | ঐতিহাসিক | জাৰ্মানী | System of Political Economy. |
| ১৩ | হিল্ডাৰ ব্ৰেণ্ড | ১৮১২-১৮৭৮ | ঐতিহাসিক | জাৰ্মানী | The National Economy of Present and furure. |
| ১৪ | ৰ'ডব্ৰাটাছ | ১৮০৫-১৮৭৫ | ৰাষ্ট্ৰীয় সমাজবাদী | জাৰ্মানী | Our Economic candition |
| ১৫ | লাচ্ছালে | ১৮১৫-১৮৬৫ | ৰাষ্ট্ৰীয় সমাজবাদী | জাৰ্মানী | The system of Aequired Rights. |
| ১৬ | কাৰ্ল মেনজাৰ | ১৮৪০-১৯২১ | অষ্ট্ৰিয়ান | জাৰ্মানী | (i) Principles of Economics (ii) On the Theory of Capital |
| ১৭ | ভন উইজাৰ | ১৮৫১-১৯২৬ | অষ্ট্ৰিয়ান | আষ্ট্ৰিয়া | Theory of Social Economies |
| ১৮ | কাল মাৰ্ক্স | ১৮১৮-১৬১৩ | বৈজ্ঞানিক | জাৰ্মানী | (i) Das Capital (ii) Communist Minifesto |

| ক্রঃ নং | নাম | জীৱকাল | ভাৱধাৰা | দেশ | প্ৰধান ৰচনাৱলী |
|---|---|---|---|---|---|
| ১৯ | ৱালৰাছ | ১৮৩৪-১৯১০ | গাণিতিক | ফ্ৰাচী | Element of Pure Economies |
| ২০ | জেভনছ | ১৮৩৫-১৮৮২ | গাণিতিক | ইংলেণ্ড | Theory of Political Economy |
| ২১ | পাৰেট | ১৮৪৮-১৯২৩ | সংস্থাপনবাদ | ইটালী | (i) A course of Political Economy<br>(ii) State and Revolution |
| ২২ | ভেবলেন | ১৮৫৭-১৯২৯ | আনুষ্ঠানিকতাবাদ | ইংলেণ্ড | Theory of Leisure class. |
| ২৩ | কাৰ্নট | ১৮০১-১৮৭৭ | সমাজবাদ | ফ্ৰাচী | Principles of theory of wealth. |
| ২৪ | আলফ্ৰেড মাস্বাৰ্ল | ১৮৪২-১৯২৪ | সংস্থাপবাদ | ইংলেণ্ড | I. Principles of Economics<br>I. Industry and trade |
| ২৫ | এ. চি. পিগো | ১৮৭৭-১৯৫৯ | কল্যাণ অৰ্থবিজ্ঞান | ইংলেণ্ড | The Economics of welfare |
| ২৬ | জে.বি. ক্লাৰ্ক | ১৮৭৪-১৯৩৮ | সংস্থাপনবাদ | ইংলেণ্ড | I. The Distribution of Wealth<br>II. The Elements of Economic theory |
| ২৭ | কৌটিল্য | | প্ৰাচীন | ভাৰত | অৰ্থশাস্ত্ৰ |
| ২৮ | দাদাভাই নৌওৰাজী | ১৮৪৫-১৯৪৬ | জাতীয়তাবাদী | ভাৰত | Public Woks in India |
| ২৯ | ৰানাডে | ১৮৪২-১৯০১ | জাতীয়তাবাদী | ভাৰত | Essay on Indian Political Economy |
| ৩০ | গান্ধীজী | ১৮৫৯-১৯৪৮ | ব্যৱহাৰিক আদৰ্শবাদ সমাজবাদ | ভাৰত | I. My Expenement with truth<br>II. Economies of Khadi<br>III. Food Shortage<br>IV. Agriculture |

বিতুপন হাজৰিকা
স্নাতক ১ ম ষান্মাসিক

# এইচ আই ভি

সৃষ্টিৰ আদিৰ পৰাই মানুহে সভ্যতাৰ জখলাত লাহে লাহে আগবাঢ়ি আহি বৰ্তমানৰ অৱস্থা পাইছেহি। সাহিত্য সংস্কৃতি, শিল্প, কলা, বিজ্ঞান, সকলো দিশতে মানুহে অশেষ কৃচ্ছ সাধন কৰি গৌৰৱৰ শিখৰত আৰোহন কৰিছে। প্ৰকৃতিৰ প্ৰতিকুলতাৰ বিপৰীতে সংগ্ৰাম কৰি মানুহ জয়ী হৈছে। বিজ্ঞানৰ ন ন আৱিস্কাৰ আৰু তাৰ প্ৰয়োগে মানুহৰ জীৱন যাপন সহজ কৰি তুলিছে। আৰামদায়ক যাতায়ত আৰু যোগাযোগৰ অভূতপূৰ্ব উন্নতিয়ে পৃথিৱীখনক এখন গাঁৱলৈ পৰিবৰ্তন কৰিছে। সভ্যতাৰ সকলো দিশতে এনে জয় জয়কাৰ অৱস্থাত মানৱ সভ্যতালৈ প্ৰচণ্ড ভাবুকি হৈ আহিছে এইড্‌চ। এইড্‌চৰ কৱলত পৰি তিলতিলকৈ গঢ় লোৱা মানৱ সভ্যতা এদিন ধংস হৈ যাব পাৰে। এই কৱলৰ পৰা বাচি থাকিবলৈ আমি এদিন প্ৰত্যেকই এইডচৰ বিষয়ে জানিব লাগিব। এইড্‌চৰ পৰা নিৰাপদ দূৰত্বত অৱস্থান কৰিবলৈ শিকিব লাগিব। আহকচোন আমিও জানি থওঁ এইড্‌চনো কি? ইয়াকনো কিয় জনাৰ প্ৰয়োজন। এইডচ হৈছে এইবিধ ভাইৰাচ জনিত ৰোগ যি মানুহৰ দেহৰ প্ৰাকৃতিক ৰোগ প্ৰতিৰোধ ক্ষমতা ধংস কৰে। এইড্‌চ সম্পূৰ্ণৰূপ Acqued Immuno Deficiency Syndrome, এই কথাযাৰ চমুকৈ AIDS বুলি কোৱা হয়। সংক্ৰামক বীজানুজড়িত বেছিভাগ ৰোগেই ঔষধ প্ৰয়োগ কৰি নিয়ন্ত্ৰণ কৰিব পাৰি। বহু ৰোগ প্ৰতিষেধক ব্যৱহাৰ কৰি প্ৰতিৰোধ কৰিব পাৰি। কিন্তু এইডচ এনে এটা ৰোগ যাৰ এতিয়ালৈকে কোনে সফল প্ৰতিষেধক আৱিস্কাৰ হোৱা নাই।

পৃথিৱীত প্ৰথম এইডচ ৰোগী চিনাক্ত হয় কুৰি শতিকাৰ ষাঁঠি দশকত মধ্য আফ্ৰিকাত। তথ্যমতে আফ্ৰিকাৰ কোনো এক প্ৰজাতিৰ বান্দৰৰ তেজৰ পৰা এই ৰোগ প্ৰথমে মানুহলৈ সংক্ৰামিত হৈছিল। ইয়াৰ পাচত সম্ভৱত পৰ্যটকৰ যোগেদি এই ৰোগ আমেৰিকা হাইটি দ্বীপলৈ বিয়পে। এইডচ ৰোগীৰ প্ৰথম সংবাদ প্ৰকাশ হয় আমেৰিকাৰ লচ এঞ্জেলচত ১৯৮১ চনত। বৰ্তমান পৃথিৱীত বিভিন্ন ঠাইত এইডচ আক্ৰান্ত ব্যক্তি বিয়পি পৰিছে। আফ্ৰিকাৰ ইউগাণ্ডাদেশত এইডচ আক্ৰান্ত হৈ মৃত্যু হোৱাৰ ফলত পুৰুষৰ সংখ্যা প্ৰায় নোহোৱা হৈ গৈছে। ১৯৮৬ চনত ভাৰতৰ চেন্নাইত প্ৰথম এইডচ আক্ৰান্ত মানুহৰ ধৰা পৰে। ভাৰতত এতিয়ালৈকে এইডচ ৰোগী মানুহৰ সংখ্যা প্ৰায় ১,০২,৭৩৩ জন। গোটেই পৃথিৱীত ৩৯.৪ মিলিয়ন। অসমতো ২৭৯ জন এইডচ ৰোগী আৰু ৮৮০ জন এইচ আই ভি পজিটিভ মানুহ আছে। এইডচ ৰোগৰ প্ৰাথমিক বিভিন্ন সংক্ৰামক ৰোগত আক্ৰান্ত হয়। এজন সুস্থ মানুহে সাধাৰণতে যিবোৰ ৰোগ অনায়াসে প্ৰতিহত কৰিব পাৰে এইডচ আক্ৰান্ত ব্যক্তিয়ে সেয়া নোৱাৰে। এইড্‌চৰ কেইটামান লক্ষণ হৈছে-

১। শৰীৰৰ দহ শতাংশ ওজন হ্ৰাস পোৱা।

২। বহুদিন পনীয়া শৌচ হোৱা।

৩। এমাহতকৈ বেছি দিন জ্বৰ কাঁহ হৈ থাকে।

৪। গোটেই গাত খজুটি হৈ থকা।

৫। সঘনাই হাৰপিক ৰোগ হৈ থকা।

৬। ডিঙি আৰু মুখত ঘাঁ হৈ থকা।

৭। গোটেই শৰীৰত টেমুনা সদৃশ গাঙঠি উঠা।

মন কৰিবলগীয়া যে উপৰোক্ত লক্ষণ সমূহ আন কিছুমান ৰোগতো দেখা দিলে এইডচ হোৱা সন্দেহ কৰি পৰিক্ষা কৰাব পাৰি।

এইডচ হোৱাৰ বাবে দায়ী ভাইৰাচ বিধ ইতিমধ্যে চিনাক্ত কৰা হৈছে। এই ভাইৰাচ বিধৰ নাম হৈছে Human Immuno Deficiency Virus সংক্ষেপে HIV । ই অতি চুলি ক্ষুদ্র এডালৰ এহাজাৰ ভাগৰ এভাগতকৈও কম ডাঠ। ই ৰেটো ভাইৰাচ পৰিয়ালৰ অৰ্ন্তভূক্ত। ই ইমানেই ক্ষুদ্র যে পাৰমানৱিক যন্ত্ৰৰ সহায়তহে চাব পাৰি। মানুহৰ তেজত শ্বেতৰক্ত কনিকা থাকে। এই কণিকাই মানুহৰ দেহত বিভিন্ন ৰোগৰ বীজানুৰ লগত থাকিব পৰা প্ৰতিদেহ সৃষ্টি কৰে। এই সৃষ্টি শক্তি প্ৰাকৃতিক ভাৱেই মানুহৰ থাকে। এইচ আই ভিয়ে আক্ৰান্ত ব্যক্তিৰ এই শ্বেত কণিকা ধংস কৰে। শ্বেত কণিকাবোৰে এইচ আই ভিক আকৰ্ষণ কৰে। ফলত ভাইৰাচবোৰ শ্বেত কনিকাত সোমাই তাত থকা নিউক্লিয়াচৰ জেনেটিক পদাৰ্থত লাগি ধৰে আৰু লাখ লাখ নতুন ভাইৰাচৰ সৃষ্টি হয়। ইয়াৰ ফলত আক্ৰান্ত ব্যক্তিৰ ৰোগ প্ৰতিযেধ ক্ষমতা বিঘ্নিত হয় ফলস্বৰূপে তুলনামূলকভাৱে সাধাৰণ বীজানুৰ আক্ৰামণতে ব্যক্তিজনৰ মৃত্যু হয়।

এইচ আই ভি আক্ৰান্ত ব্যক্তিজনক প্ৰথম অৱস্থাত এইচ আই ভি চেৰো পজিটিভ বুলি চিনাক্ত কৰা হয়। এই অৱস্থাত মানুহজন এইড্চত ভোগা নাই। এইচ আই ভি পজিটিভ ব্যক্তিজনক সম্পূৰ্ণ স্বাস্থ্যবান যেন লাগে আৰু সুস্থ মানুহৰ দৰে জীৱন নিৰ্বাহ কৰিব পাৰে। যেতিয়া আক্ৰান্ত ব্যক্তিজনৰ ইমিউন ব্যৱস্থা সম্পূৰ্ণ ধ্বংসহৈ যায় আৰু যিকোনো ৰোগত আক্ৰান্ত হয় তেতিয়াহে তেওঁক এইড্চ হোৱা বুলি কয়। এনে অৱস্থাত যিহেতু কোনো চিকিৎসাই ফল নিদিয়ে ফলত লোক জনৰ মৃত্যু নিশ্চিত হৈ পৰে। গড় হিচাৱে এজন ব্যক্তি এইচ আই ভিত আক্ৰান্ত হোৱা ৭-৮ বছৰ পিছতহে এইড্চত আক্ৰান্ত হয়।

এতিয়া প্ৰশ্ন হ'ল এই ভাইৰাচ বিধ এজনৰ দেহৰ পৰা আন এজনৰ দেহলৈ কেনেকৈ বিয়পে। সাধাৰণতে এজন এইচ আই ভি আক্ৰান্ত ব্যক্তিৰ তেজ আৰু বীৰ্য আন এজন নিৰোগী লোকৰ দেহত প্ৰৱেশ কৰিলে এই ৰোগ বিয়পে। এই তেজ আৰু বীৰ্য নিৰোগী লোকৰ দেহত প্ৰৱেশ কৰিব পাৰে প্ৰধানকৈ দুটা উপায়েৰে, অসুৰক্ষিত যৌন সম্ভোগ আৰু তেজ গ্ৰহন। ইয়াৰ প্ৰথম বিধেই এইচ আই ভি সংক্ৰমণৰ আটাইতকৈ সহজ পথ। বিশ্বৰ ৮০ শতাংশ ব্যক্তি এই প্ৰথাৰে আক্ৰান্ত হয়। আক্ৰান্ত ব্যক্তিৰ বীৰ্য আৰু ঋতুস্ৰাৱৰ তেজকে ধৰি যোনী পথৰ তৰল পদাৰ্থত এইচ আই ভি বহু পৰিমাণে থাকে। যৌন সংক্ৰমনত লিংগ আৰু যোনী পথৰ পোন পতিয়া সংযোগ হ'লেই এইচ আই ভি সংক্ৰমণ সম্ভৱ হয়। এনে ধৰণে হোৱা সংক্ৰমণ অতি দ্ৰুত গতিত দূৰ দূৰণিলৈ বিয়পি যাব পাৰে। বিশেষকৈ ট্ৰাক ডাইভাৰ, পৰ্যটক আৰু যৌন কৰ্মীৰ যোগেদি।

সংক্ৰমিত ব্যক্তিৰ পৰা তেজ গ্ৰহণ কৰিলে লওঁতাৰ শৰীৰলৈ পোন পতিয়াকৈ এইচ আই ভি সংক্ৰামিত হয়। ষ্টেৰি লাইজড নকৰা বেজীৰ যোগেদি এইচ আই ভি সংক্ৰমিত হয়। শিৰাৰে হিৰোইন গ্ৰহণ কৰা সকলে খৰচ কমাবলৈ একেটা বেজীৰে কেইবাজনে নিচা সেৱন কৰে। এনে ব্যক্তিৰ মাজত এজন আক্ৰান্ত ব্যক্তি থাকিলে বাকী কেইজন আক্ৰান্ত হোৱাটো নিশ্চিত। আক্ৰান্ত মাকে তেওঁৰ গৰ্ভস্থ সন্তানৰ দেহলৈ এইচ আই ভি ভিতৰত থাকোতেও হ'ব পাৰে অথবা জন্মৰ পিছত মাতৃদুগ্ধৰ যোগেদি বা প্ৰসৱৰ সময়তও হ'ব পাৰে।

বিপুল শইকীয়া
স্নাতক ১ ম ষান্মাসিক

# ভাৰতৰ অৰ্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জিলৈ গান্ধীজীৰ অৱদান আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা ঃ

ভাৰতৰ জাতিৰ পিতা মহাত্মা গান্ধী প্ৰকৃততে এজন সমাজ সংস্কাৰক আছিল যদিও তেওঁ এজন দক্ষ অৰ্থনীতিবিদো আছিল। কিন্তু, তেওঁৰ অৰ্থনীতি অন্যান্য অৰ্থনীতিবিদৰ তুলনাত বহু বেলেগ ধৰণৰ আছিল। তেওঁৰ অৰ্থনীতিৰ ভাবসমূহত আদৰ্শ, দৰ্শন আৰু কেইবাজনো ব্যক্তিৰ প্ৰভাৱ পৰা দেখা যায়। গান্ধীৰ অৰ্থনীতিত কোনো ধৰণৰ আৰ্থিক চিন্তা-ধাৰণাৰ আঁচনি, বিশ্লেষণৰ কৌশল বা আহিলা ব্যৱহাৰ হোৱা নাছিল। তেখেতৰ মতে, অৰ্থনীতি হ'ল জীৱন দৰ্শনৰ এটা অংগ। সেইবাবেই আৰ্থিক চিন্তা বা মত জীৱন দৰ্শনৰ এটা ভাগ বা অংশ মাথোন। গান্ধীৰ অৰ্থনীতিক অহিংসাৰ, অৰ্থনীতি বুলিও কোৱা হয়। সত্য, অহিংসা, শ্ৰমৰ মৰ্যদা আৰু সৰলতা এই চাৰিটা মূল সূত্ৰৰ ওপৰত ভিত্তি কৰি তেওঁৰ অৰ্থনীতি গঢ়ি উঠিছে। তেওঁৰ মতে যি অৰ্থনীতিত শোষণ থাকে, যি অৰ্থনীতিত ব্যক্তিৰ কল্যাণত বাধা দিয়া হয় তেনে অৰ্থনীতি অহিংস নহয়, ই হ'ল নৈতিকতাবিহীন অৰ্থনীতি। নৈতিকতাৰ উৎকৰ্ষ সাধনেই হৈছে পাৰ্থিৱ সুখ-সমৃদ্ধিৰ মূল কাৰণ। গান্ধীজী সম্পূৰ্ণ যন্ত্ৰ বিৰোধী আছিল কাৰণ, যন্ত্ৰই মানৱ শ্ৰমৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে। তেখেতে শ্ৰমৰ মৰ্যদাৰ ওপৰত গুৰুত্ব দিছিল। আৰু দৈহিক শ্ৰমৰ বিনিময়ত প্ৰত্যেকেই জীৱন নিৰ্বাহ কৰাটো বিচাৰিছিল।

গান্ধীজীয়ে ভাৰতৰ অৰ্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জিলৈ বহুতো নীতি আৰু চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰি থৈ গৈছে। তেওঁৰ সকলো নীতি আৰু ভাৱধাৰাত তেওঁৰ চাৰিটা মূলমন্ত্ৰ সত্য, অহিংসা, শ্ৰমৰ মৰ্যদা আৰু সৰলতাৰ তাৎপৰ্য পৰিস্ফুট হৈছে। গান্ধীজী আছিল অপৰিগ্ৰহ নীতিৰ সমৰ্থক। তেওঁৰ মতে, সমাজৰ ধনী শ্ৰেণীৰ লোকসকল প্ৰকৃততে এক সন্মানজনক জীৱন ধাৰণৰ বাবে যিখিন ধনৰ প্ৰয়োজন সেই খিনিৰহে অধিকাৰী হ'ব লাগে। বাকী অংশৰ গৰাকী সমাজখনহে আৰু এইখিনি অংশ সমাজৰ উন্নতিৰ বাবে ব্যয় কৰিব লাগে। গতিকে মূলধনৰ গৰাকীসকল এই সম্পত্তিৰ তদাৰক কৰোঁতাহে হ'ব লাগে। কিন্তু, অধিক ধন লাভৰ অজুহাতত ধনী শ্ৰেণীৰ লোকসকলক উচ্ছেদ কৰাৰ পক্ষপাতি তেওঁ নাছিল। ইয়াৰ উপৰি গান্ধীজী কেতিয়াও উদ্যোগিকৰণৰ পক্ষপাতি নাছিল। তেওঁৰ মতে উদ্যোগিকৰণ সমাজৰ বাবে অভিশাপ স্বৰূপ। উদ্যোগিকৰণ আৰু আধুনিক যন্ত্ৰৰ ব্যৱহাৰ বিশেষকৈ ভাৰতৰ পটভূমিত হোৱা অনুচিত বুলি গান্ধীজীয়ে বিশ্বাস কৰে। তেওঁ গ্ৰাম্য উদ্যোগ প্ৰতিষ্ঠাৰহে পক্ষপাতি আছিল। ক্ষুদ্ৰ আৰু গ্ৰাম্য উদ্যোগৰ উন্নতি অবিহনে লাখ লাখ ভাৰতীয় লোকৰ আৰ্থিক অৱস্থা ভাল নহয় বুলি তেওঁ মন্তব্য কৰিছিল। ভাৰতৰ দুৰৱস্থা দূৰ কৰিবলৈ

ঘৰুৱা শিল্পৰ পুনৰ সংস্থাপন আৰু সিহঁতৰ সম্প্ৰসাৰণ অতিশয় দৰকাৰী কিন্তু তেওঁ দুটামান উদ্যোগ যেনে বিজুলি শক্তি, জাহাজ নিৰ্মাণ, লোৰ উদ্যোগ আৰু যন্ত্ৰপাতি নিৰ্মাণ উদ্যোগ ইত্যাদিক আধুনিক কালত বাদ দি থাকিব নোৱাৰি। গতিকে এনেবোৰ উদ্যোগ থাকিব লাগে বুলি তেওঁ কৈছিল। গান্ধীজীৰ মতে উৎপাদন কাৰ্য ক্ষুদ্ৰ হাৰত কেইবা ঠাইতো হ'ব লাগে। গণতন্ত্ৰৰ স্বাৰ্থমতে সৰু সৰু উদ্যোগ থকা উচিত। গান্ধীয়ে অতীত ভাৰতৰ স্বয়ং সম্পূৰ্ণ গাওঁ নিৰ্মাণৰ সপোন দেখিছিল। ভাৰতৰ গাওঁ সমূহ নদন-বদন, কৃষি বিকেন্দ্ৰীকৃত শিল্প আৰু সৰু সৰু সমবায় সংগঠনেৰে ভৰপূৰ হোৱাটো বিচাৰিছিল। জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰটো গান্ধীজীয়ে মত আগবঢ়াইছিল। এইক্ষেত্ৰত তেওঁ শিক্ষাৰ প্ৰসাৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছিল। ভাল ভূমি ব্যৱস্থা আৰু উন্নতি কৃষিপদ্ধতিৰে ভাৰতৰ বৰ্তমানৰ দুগুণ জনসংখ্যাৰ বাবে খাদ্য সম্ভাৰ যোগাৰ কৰা সম্ভৱ হ'ব বুলি তেখেতে বিশ্বাস কৰিছিল। গান্ধীয়ে প্ৰত্যেক ব্যক্তিকে শ্ৰমৰ বিনিময়ত নিজৰ খাদ্য আৰু অন্যান্য বস্তু উৎপন্ন কৰাটো বিচাৰিছিল। সেইবাবে তেওঁ খাদ্য দ্ৰব্যৰ নাটনি জন্ম নিয়ন্ত্ৰণৰ দ্বাৰা দূৰ কৰিব পাৰি বুলি তেখেতে নাভাবিছিল। গান্ধীজীয়ে ৰাগিয়াল বস্তু নিবাৰণৰ ক্ষেত্ৰটো তেওঁ মতামত আগবঢ়াইছিল। গান্ধীৰ মতে ৰাগিয়াল বস্তুৱে মানুহৰ শাৰিৰিক, মানসিক আৰু নৈতিক গুণৰাজীৰ বিকাশত বাধা দিয়ে।

গান্ধীবাদী অৰ্থনীতিক বহুতো অৰ্থনীতিবিদে অবাস্তৱ আৰু অপ্ৰাসংগিক বুলি কয় যদিও কিছুমান অৰ্থনীতিবিদৰ মতে, গান্ধীৰ অৰ্থনৈতিক দৰ্শন বুজিবলৈ লাগিব সহানুভূতি আৰু দুৰদৃষ্টি। গান্ধীৰ অৰ্থনীতি নৈতিক প্ৰমূল্যৰ ওপৰত প্ৰতিষ্ঠিত। মানুহক মানুহ হিচাপে মৰ্যদা দান এয়াই হৈছে গান্ধীক অৰ্থনৈতিক ভেটি।

ভাৰতৰ নিবনুৱা সমস্যা সমাধানত গান্ধীবাদী নীতি অনুসৰণ কৰিব লাগিব কাৰণ আমাৰ দেশত এতিয়াও মূলধনৰ নাটনি বৰ বেছি। ঘৰুৱা শিল্পত যিহেতু অধিক শ্ৰম প্ৰয়োজন আৰু বেছি মূলধনৰ প্ৰয়োজন নাই সেইবাবে এনে শিল্প প্ৰতিষ্ঠাই আমাৰ বাবে উৎকৃষ্ট উপায়। তদুপৰি এনে শিল্পৰ পৰা সোনকালে উৎপাদন পোৱা যায়। গান্ধী বৃহৎ যান্ত্ৰিক উদ্যোগিকৰণৰ বিৰোধী আছিল। কাৰণ এনে পদ্ধতিত শোষণ থাকে কিন্তু তেওঁ শ্ৰমিকৰ উপাৰ্জনৰ পথ বন্ধ কৰিব পৰা যন্ত্ৰপাতিৰহে বিৰোধী আছিল। বৰ্তমান ভাৰতত মাদক দ্ৰব্য নিবাৰণী অভিযান লাভ লোকচানৰ কথা চিন্তা নকৰি কেৱল সামাজিক কল্যাণৰ দিশৰ পৰা চলালে অধিক বাঞ্চনিয় হ'ব। গান্ধীয়ে 'কণ্টল' ব্যৱস্থাৰ শুদ্ধভাৱে বিৰোধীতা কৰিছিল। অনুমতি পত্ৰ নীতিয়ে বৰ্তমান ভাৰত একচেতিয়া ব্যৱসায়ৰ জন্ম দিছে। ই আৰ্থিক ক্ষমতা কেন্দ্ৰীভূত হোৱাত সহা কৰিছে। মুঠৰ ওপৰত গান্ধীৰ আদৰ্শ বা অৰ্থনীতি ভাৰতৰ পটভূমিত অপ্ৰাসংগিক হোৱা নাই। আমাৰ বহুতো সমস্যা সমাধানত গান্ধীৰ আদৰ্শ আগত ৰাখি আগবাঢ়িলে সেই সমস্যাৰ সমাধান হ'ব।

বিস্মীতা দত্ত
স্নাতক ৫ ম যান্মাসিক

# ব্যক্তিত্ব গঠন

ব্যক্তিত্ব হৈছে মানুহৰ অপৰিহাৰ্য্য আৰু সবাতোকৈ পৃথক বৈশিষ্ট্য। এজন মানুহ বা ব্যক্তিৰ শাৰিৰিক গঠন, ব্যৱহাৰৰ প্ৰকৃতি, বিভিন্ন দিশত থকা প্ৰৱণতা , আগ্ৰহ, মনোভাৱ, বৌদ্ধিক সামৰ্থ আদি বিভিন্ন লক্ষণসমূহ একত্ৰিত হোৱা ধাৰণাটোৱেই হৈছে ব্যক্তিত্ব। ব্যক্তিত্ব দৈহিক আকাৰ-আকৃতি, সাজ-পোচাক, কথা-বতৰা, সমমগুলৰ গঠন আৰু প্ৰকাশভংগী, অংগ সঞ্চালন, স্বভাৱ-চৰিত্ৰ আদি লক্ষ্য কৰি একোজন ব্যক্তিৰ ব্যক্তিত্বৰ বৰ্ণনা কৰা হয়। পৃথিৱীৰ বহু বিখ্যাত মানুহেই অতি ক্ষুদ্ৰ অৱস্থাৰ পৰা কেৱল মাত্ৰ দৃঢ় বিশ্বাস আৰু নিজস্ব ব্যক্তিত্বৰ বলতেই সফলতা অৰ্জন কৰি স্মৰণীয় হৈ আছে। মানুহৰ বাহ্যিক সৌন্দৰ্য হ'ল শাৰযুক্ত ফলসদৃশ। অৰ্থাৎ ব্যক্তিত্ব অবিহনে সৌন্দৰ্য অৰ্থহীন কিয়নো ব্যক্তিৰ ভিতৰত এনে কোনো গোপন বস্তু থাকে যি ব্যক্তিত্বৰ ৰূপত প্ৰকাশ পায় আৰু ইয়াৰ সহায়ত ব্যক্তি সমষ্টিয়ে সহজতে হেজাৰ হেজাৰ মানুহক তেওঁলোকৰ বশ বা অধীন কৰিব পাৰে। ব্যক্তিত্বহীন মানুহেঁহ হয়তো কেতিয়াবা সফলতাৰ মুখ দেখিব পাৰে। কিন্তু সেয়া কেৱল মাত্ৰ সাময়িকভাৱেহে, সি কেতিয়াও চিৰস্থায়ী ৰূপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। সেয়েহে জীৱনত সফল, সু-প্ৰতিষ্ঠিত আৰু সু-চৰিত্ৰৰ গৰাকী হ'বলৈ প্ৰথমেই আমি সু-ব্যক্তিত্ব অধিকাৰী হ'ব লাগিব।

ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত আমি প্ৰথমেই এটা কথা মনত ৰাখিব লাগিব যে, ব্যক্তিৰ পক্ষে নিজস্ব সত্বাঁহ হ'ল প্ৰধান কাৰ্যকৰী সত্বা আৰু ক্ষমতাৰ সত্বা। যি সত্বাই সকলো কামকে কৰিব পাৰে। যি সত্বাই ভূলৰ বশৱৰ্তী নহৈ মুক্ত আৰু স্বাধীনচিতীয়াভাৱে কাম কৰিব পাৰে। যেতিয়া আন কোনো মানুহৰ লগত মিলা মিছা কৰো তেতিয়াঁহ আমি এঁহ সত্বাৰ মুখামুখী হ'ও। সেই সময়ত এটা শুদ্ধ তৰংগৰ দৰে মুখেৰে নিজকে চালনা কৰা চেষ্টা কৰিব লাগে। আনৰ প্ৰশংসা কৰাৰ চেষ্টা কৰিব লাগে। তেওঁক আপোনাৰ বন্ধু কৰি লওঁক কিন্তু, তেওঁক সন্মান ৰক্ষাৰে সুবিধা দিয়ক। সকলো মানুহৰে নিজস্ব ব্যক্তিগত আকৰ্ষণ থাকে। এনে বহু মানুহ আছে যাৰ সান্নিধ্যলৈ আহিলে আপুনি বেছ সহজ, সুখী, নিৰাপদ আৰু নিজকে গুৰুত্বপূৰ্ণ বুলি ভাবিব পাৰে আৰু আন কিছুমান মানুহ আছে যিয়ে আপোনাক অসুখী, ভীতিগ্ৰস্থ আৰু অবিশ্বাসী কৰি তোলে। কিন্তু যি মুহূৰ্ত্ততেই নহওঁক আপুনি কেতিয়াও হতাশ নহ'ব। এক বিশেষ ক্ষমতা বজাই ৰাখি আপুনি আনক আকৰ্ষণ কৰাৰ চেষ্টা কৰক। আকৌ এনে কিছুমান মানুহ আমাৰ সমাজত আছে যাক পছন্দ নকৰি নোৱাৰি কিন্তু সেই বিশেষজনৰ বুদ্ধিমত্তা, পৰিপাটী, উজ্জ্বল সাজ-পোছাক, কথা-বাৰ্তা একোতে বিশেষ বিশেষত্ব চকুত নপৰে। আপুনি যেতিয়া সেইজনৰ লগত কথা পাতে তেওঁ কেতিয়াও বিৰক্তিবোধ নকৰে। মনত কোনো বিষন্নতাৰ ভাব নাৰাখি সহজ সৰলভাৱে তেওঁ সকলো বিষয় বা ক্ষেত্ৰতে আনন্দ উপভোগ কৰে। তেওঁ আনক প্ৰশংসা কৰে কিন্তু আত্মপ্ৰশংসা নিবিচাৰে। এইবোৰ তেওঁৰ ব্যক্তিত্বৰ যাদু। গতিকে আপুনিও এনেধৰণৰ গুণৰ জৰিয়তে আনৰ প্ৰিয়পাত্ৰ হ'ব পাৰে। ইয়াৰ ভিতৰত মন কৰিবলগা কথা হ'ল আপুনি যেতিয়া কাৰোবাৰ লগত কথা পাতিব কেতিয়াও অনৰ্থকভাৱে সময় নষ্ট নকৰিব। ক'বলগীয়া কথাবোৰ স্পষ্টভাৱে প্ৰকাশ কৰিব। এইক্ষেত্ৰত আপুনি এটা কথালৈ লক্ষ্য ৰাখিব লাগিব যাতে আপুনি সকলোৰে আনন্দ দান কৰিব পাৰে। কথা পতাৰ সময়ত আপুনি আনকো কথা ক'বলৈ সুবিধা দিয়ক। মনলৈ অহা আপোনাৰ কথাবোৰ শুদ্ধ আৰু সঠিকভাৱে আনৰ আগত প্ৰকাশ কৰক। যদি আপুনি এনেধৰণৰ ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ চেষ্টা কৰে তেতিয়া আপোনাৰ কথাত সকলো আকৰ্ষিত হ'ব।

ব্যক্তিত্ব যে কেৱল আনক জয় কৰা কামতে ব্যৱহাৰ হয় সেইটো নহয়। ব্যক্তিত্ব এনে এক ক্ষমতা বা শক্তি যাৰ সহায়ত এই পৃথিৱীত সুখৰ নৈ বৈ যাব পাৰে। সেই বুলি ব্যক্তিত্ব গঢ়ি তোলা কামটোও সহজ নহয়। ইয়াক লাহে ধীৰে গঢ় দি তোলা দৰকাৰ। এইটো সম্ভৱ হ'ব পাৰে নিজকে বিচাৰ বিশ্লেষণ কৰাৰ মাজেৰে। সেয়ে আগেয়ে নিজৰ বিশেষত্ব পৰীক্ষাৰ কামটো কৰি লওঁক। নিজৰ ভাৱাবেগ প্ৰৱণতাক নিয়ন্ত্ৰণ কৰিবলৈ পাহৰি গ'লে নচলিব। ইয়াৰ প্ৰতিও সৰ্তক দৃষ্টি ৰাখিব লাগিব।

বিস্মীতা দত্ত
স্নাতক ৫ ম ষান্মাসিক

# যুৱ উচ্ছৃংখলতা

বৰ্তমান সমাজ ব্যৱস্থাত আগৰ তুলনাত বহু পৰিবৰ্তন আহিছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নতিয়ে সমাজখনৰ সকলো দিশতে পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। গোলকীকৰণ, উদ্যোগীকৰণৰ ফলত শিক্ষা ব্যৱস্থাকে আদি কৰি মানুহৰ জীৱনৰ প্ৰত্যেকটো দিশৰো সাল-সলনি হৈছে। মানুহ উন্নতিৰ জখলাত ক্ৰমানয়ে আগবাঢ়ি গৈ চৰম শিখৰত উপনীত হৈছেগৈ। কিন্তু এইবোৰ নেতিবাচক প্ৰভাবো সমাজত নপৰাকৈ থকা নাই। মানুহৰ যিমানেই উন্নতি হৈছে সিমানেই অৱনতিও হৈছে। উক্ত কাৰকৰ প্ৰভাৱৰ ফলত অসমৰ সমাজ ব্যৱস্থা বাৰুকৈয়ে প্ৰভাৱন্বিত হৈছে। দিনে-নিশাই ঘটি থকা ঘটনাবোৰে অসমৰ অমানবীয়তাৰ প্ৰতিচ্ছবি খনকেই প্ৰতিফলিত কৰিছে। যিমানে বিজ্ঞান প্ৰযুক্তিবিদ্যাই প্ৰসাৰতা লাভ কৰিছে সিমানেই মানুহৰ মগজুত নেতিবাচক চিন্তা ধাৰণাই গা কৰি উঠিছে। চৌপাকে কেৱল বোমা বাৰুদৰ বিস্ফোৰণ। হত্যা, ধৰ্ষন, নিযাৰ্তন আদি ঘটনাৰ ছবি। বাতৰি কাকতৰ প্ৰতিটো পৃষ্ঠাতে তেনেবোৰ বাতৰিয়ে ছপা হয়। ঠিক তেনেদৰে দুৰদৰ্শণ বা অন্যান্য সংবাদ মাধ্যমবোৰতো তেনেবোৰ বাতৰিয়ে প্ৰধান্য পায়। চৌপাশ কেৱল ৰক্তাক্ত। মৃতব্যৰ ছবি, শক্তি বা সুস্থ পৰিৱেশ একোটা যে বৰ্তমান যেন পৰিস্থিতিত অসমখনত কল্পনাৰো অগোচৰ হৈ পৰিছে।

যুৱক সকলক ভৱিষ্যতৰ ধ্ৰুৱণী তথা ভৱিষ্যত মানিক বুলি ধৰা হয়। আজিৰ যুৱক সকলেই কাইলৈ দেশক গঢ় দিবলৈ আগভাগ ল'ব লাগিব। তেওঁ লোকৰ প্ৰত্যেকটো কৰ্মই ভৱিষ্যতৰ একোটা খোজ বৰ্তমান ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা, সংস্কৃতি ৰাজনৈতিক-সামাজিক প্ৰত্যেকটো দিশতেই সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা দেখা যায়। উক্ত দিশ সমূহত কিছু লোক আগবাঢ়ি গলেও আন এচামে কিন্তু অসামাজিক অনৈতিক কৰ্মত লিপ্ত হৈ সমাজখনক ধ্বংসগামী কৰিছে। ইয়াৰ মূলতে হ'ল যুৱ উচ্ছৃংখলতা। কিন্তু এই যুৱ উচ্ছৃংখল সৃষ্টিৰ বাবে দায়ী কোন? যুৱক-যুৱতী সকলৰ মাজত উচ্ছৃংখলতাই দেখা দিয়াৰ কাৰণসমূহ উনুকিয়াই চালে বহুতো দিশেই ভুমুকি মাৰে। প্ৰথমে কাৰণ বুলিবলৈ হলে বৰ্তমান যুৱ চামৰ মাজত অবাধ মাদক দ্ৰব্যৰ প্ৰচলন দেখা যায়। ড্ৰাগছ, চিগাৰেট, গুটখা আদিয়েই যেন বৰ্তমানৰ যুৱচামৰ প্ৰধান সংগী হৈ পৰিছে। যাৰ ফলত তেওঁলোকে নৈতিকতা কি চিনি নোপোৱাৰ হৈছে। জ্যেষ্ঠ জনাব প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো তেওঁলোকৰ বাবে যেন ডাঙৰ ক্ষতি। ড্ৰাগছত আসক্ত হৈ তেওঁলোকে নিজৰ শৰীৰটোকে ঘৃনীয়া কৰি পেলায়। নিচা জাতীয় দ্ৰব্য সেৱন কৰি সঞ্জিবিহীন হৈ ইমানেই দ্ৰুত গতিৰে গাড়ী মটৰ চলায় যে অৱশেষত অনিয়ন্ত্ৰণাধীন হৈ দুঘটনাত পতিত হয়। নাৰীৰ প্ৰতি

অশালীন ব্যৱহাৰ। অসভ্য মন্তব্য মাতি ছোৱালী তথা মহিলাৰ নিৰাপত্তা নোহোৱা কৰিছে। কিন্তু ইয়াৰ বাবে আমি কেৱল যুৱচামকেই দোষ দি থাকিলে নহ'ব সমাজ ব্যৱস্থাটোৰ প্ৰতিও চকু দিব লাগিব। কাৰণ জন্ম লভিৱেই যুৱক সকলে এনে অপকৰ্ম বোৰ শিকি নাহে। সমাজৰ পৰিৱেশ তথা পৰিস্থিতিৰ পৰা যি পায় তেওঁলোকেও তাকহে গ্ৰহণ কৰে।

সাধাৰণতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলহে এনেবোৰ কৰ্মত বেছিকৈ লিপ্ত হোৱা দেখা যায়। এই সময়ছোৱাত অৰ্থাৎ কৈশোৰ কালটোৱেই হৈছে বয়সন্ধি কাল। এই সময়ছোৱাত তেওঁলোকৰ ভাল বেয়া বিচাৰ কৰাৰ ক্ষমতা নাথাকে গতিকে পিতৃ-মাতৃ সকলে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি চকু দিয়া উচিত। পৰিয়ালেই হৈছে শিশু এগৰাকীৰ প্ৰথম শিক্ষা অনুষ্ঠান। সেয়েহে সকল পৰাই অভিভাৱক সকলে সজ আচৰণ আৰু সৎ চৰিত্ৰ গঠনৰ শিক্ষা দিয়াৰ গুৰুত্ব আৰোপ কৰিব লাগে।

লাগ বুলিলেই প্ৰয়োজন নোহোৱা বস্তুবোৰ ল'ৰা-ছোৱালী হাতত তুলি দিব নালাগে। সাধাৰণতে ডেকা ল'ৰাটোৱে নৱম-সপ্তম শ্ৰেণীত থাকোতেই পিতৃ মাতৃয়ে বাইক, ম'বাইল আদি তুলি দিয়ে। ইয়াৰ প্ৰয়োজনীয়তা কিমান। এইবোৰে ল'ৰাটোক কোনে দিশে পৰিচালিত কৰিব তাৰ প্ৰতি অভিভাৱক সকল বেছি সচেতন হ'ব লাগে। অনাগতিয়াল বস্তুবোৰ ল'ৰা ছোৱালীৰ হাতত তুলি দি ধ্বংসৰ পথত এৰি দি পিতৃ মাতৃসকলে গৌৰব অনভব কৰাৰ কোনো যুক্তি যুক্ততা দেখা নাযায়।

যুৱ উচ্চখলতাৰ লগত বৰ্তমানৰ শিক্ষা ব্যৱস্থা সমানেই জড়িত। আগৰ প্ৰতিভামুখীশিক্ষাৰ পৰিৱৰ্তে আজি কালিৰ শিক্ষা ব্যৱস্থা হৈছে শতাংশ মুখী। অভিভাৱক সকলেও নিজ ল'ৰা-ছোৱালীক প্ৰকৃত শিক্ষা আহৰণৰ ওপৰত গুৰুত্ব দিয়াতকৈ চাকৰীটোৰ প্ৰতিহে বেছিকৈ গুৰুত্ব দিয়ে। বৰ্তমানৰ প্ৰতিযোগিত মূলক যুগত ছাত্ৰ-ছাত্ৰীসকলে ৯০ তথা ৯৫ শতাংশ নম্বৰৰ পিছে পিছে প্ৰতিযোগিতাৰ খেল পথাৰখনত দৌৰাত বহুজন অকৃতকাৰ্য আৰু নিৰাশ হৈ পৰিছে। ইয়াৰ ফলত নিজকে পিতৃ-মাতৃ তথা সমাজৰ ওচৰত সেও মানিবলগীয়া হোৱাত হতাশ হৈ যোৱা নৈতিকতাৰ বিৰুদ্ধ হোৱা দেখা যায়। এই ক্ষেত্ৰত অভিভাৱক সকলে নিজ সন্তানটিক আওকান কৰাৰ পৰিৱৰ্তে এক ইতি বাচক মনোভাৱ তাৰ মন মগজুত গঢ়ি তোলাৰ বাবে যত্ন পৰ হব লাগে। অভিভাৱক সকলে সদায়েই নিজৰ সন্তানক নৈতিকতা তথা মূল্যবোধৰ জ্ঞান সম্পৰ্কে সচেতন হ'ব লাগে। তেতিয়াহে সন্তানটিয়ে পৰিয়াল তথা সমাজৰ প্ৰতি তাৰ দায়িত্ববোধ সম্পৰ্কে উপলব্ধি কৰিব পাৰিব। এই ক্ষেত্ৰত দেখা যায় যে যুৱক- যুৱতী সকলে সাধাৰণ ডিগ্ৰী এটা গ্ৰহণ কৰিয়েই চৰকাৰী চাকৰিৰ পিছত খোজ দিয়ে আৰু অৱশেষত উপায়হীন হৈ নৈতিবাচক কৰ্মৰ প্ৰতি আগ্ৰহী হৈ পাৰে। স্ব-নিৰ্ভৰশীল হৈ কিবা এটা কৰাৰ কথাটো তেওঁ লোকৰ কল্পনাৰো অগোচৰ হৈ পৰে।

সুৰেখা তাতি
স্নাতক ৫ ম ষান্মাসিক

# লোক সংস্কৃতিক দৃষ্টিভংগীত অসমৰ চাহ জনগোষ্ঠী

অসমৰ বাৰেবৰণীয়া লোক সংস্কৃতি চাহ জনগোষ্ঠীয়ে ব্যাপক অৱদান যোগাইছে। অসমৰ লোক সংস্কৃতিসমূহৰ বিকাশৰ ইতিহাস সুপ্ৰাচীন কালৰে পৰা হোৱা আন্তহীন জন প্ৰব্ৰজনৰ ইতিহাসৰ লগত সাঙোৰ খাই আছে। ইংৰাজৰ দিনৰ পৰা এই প্ৰবজনৰ সোঁত অধিক প্ৰৱল হ'ল। চাহ খেতিৰ বাবে বাগিছা কৰ্তৃপক্ষৰ সহযোগত ভাৰতৰ বিভিন্ন প্ৰান্তত মূলতঃ পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু প্ৰভৃতি ৰাজ্যৰ পৰা শ্ৰমিক আমদানি কৰিলে। এই শ্ৰমিকসকল চাওাল, ওৰাং, মুণ্ডা, খাৰিয়া, গণ্ড, খণ্ড, কিছান, নাগেছিয়া, শৱৰ হো, মুৰা, কয়া, খেৰৱাৰ, তাছা, মানকি, মাল-পাহাৰিয়া, ভূমিজ পানিকা, কুৰ্মি, তাঁতী, কমাৰ, কালিন্দী, ঘণটোৱাৰ, ৰজক গোৱালা আদি বিভিন্ন জনগোষ্ঠীৰ অন্তৰ্গত।

চাহ জনগোষ্ঠীৰ লোকসকলৰ লগত নৃ-গোষ্ঠীগতভাৱে অষ্ট্ৰিক, কোল-মুণ্ডা লোকসকলৰ মৌলিক ভেদ নাই, যিখিনি ভেদ সৃষ্টি হৈছে সেয়া মাত্ৰ সময় আৰু স্থানৰ দীৰ্ঘকালীন ব্যৱধানৰ ফলত হৈছে।

লোক সংস্কৃতিৰ পণ্ডিতসকলে লোক উৎসৱসমূহক লোকসংস্কৃতিৰ অবিচ্ছেদ্য অংগ হিচাপে অভিহিত কৰিছে। অসমৰ চাহ জনজাতি বিলাকৰ কৰম পৰৱ হ'ল শ্ৰেষ্ঠ জাতীয় উৎসৱ। বছৰৰ বিভিন্ন সময়ত কেইবাটাও কৰম উৎসৱ চাহ জনজাতিৰ লোকসকলে পালন কৰে। সেয়া হ'ল আহিন মাহত বুঢ়ী কৰম, আঘোনত ৰাস ঝুমুৰ আৰু ভাদ মাহত জীতিয়া কৰম। বিজয়া দশমীত আৰম্ভ কৰা হয় 'বুঢ়ী কৰম'। আঘোন মাহৰ পূৰ্ণিমাত আয়োজিত ঝুমুৰ কৰম পৰৱ শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ সময়তে পৰে। এই ঝুমুৰ ৰাস লীলাৰ সমাৰ্থক এক অনুষ্ঠান যদিও ঝুমুৰ গীতে অধিক লোকায়তিক উদ্দাম মুক্ত জীৱনৰ ইংগিত দিয়ে। ভাদ মাহৰ শুক্ল পক্ষত আয়োজিত জীতিয়া কৰম উৎসৱতো বা বন বিহাৰী শ্ৰীকৃষ্ণৰ বৃক্ষ ৰোপন লীলা-খেলাৰ ভিন্ন ভিন্ন পৰ্বৰ কথাই মুখ্য স্থান পাই বুলি কোৱা হয়। কৰম পূজাত কৰম দেৱতাৰ প্ৰতীক হিচাপে চিকা সৰলীয়া গছৰ দুটা ডাল নিৰ্দিষ্ট স্থানত পুতি কৰমতী সকলে কেইবাদিনো পূজা-সেৱা কৰে। চাহ জনগোষ্ঠীৰ টুচু পূজা নামৰ আন এক উৎসৱ আছে। টুচু পূজা চাহ জনগোষ্ঠীৰ নাৰীৰ জীৱনৰ আদৰ্শৰ ভেটি। মনসা, লক্ষ্মী, সৰস্বতী, সকলো দেৱীয়েই যেন টুচুৰ মাজেদিয়েই আত্ম প্ৰকাশ কৰে। টুচু পৰম পৰৱ মাঘ বিহুৰ দিনাখন সমাপ্ত হয়।

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন জনগোষ্ঠী ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই জীৱিকাৰ সন্ধানত বৃটিছৰ অজ্ঞাধীন হৈ অসমত খোলা চাহ বাগিছাবোৰত শ্ৰমদান কৰিবলৈ আহে। চাহ জনগোষ্ঠীসমূহে লোকসংস্কৃতিৰ ভড়াঁল টনকিয়াল কৰে। ইয়াৰ যথোচিত গৱেষণা আৰু সংৰক্ষণৰ যোগেদি চাহ জনগোষ্ঠীৰ সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিব পাৰি।

উমাৱতী মাঝি
স্নাতক ৫ ম যান্মাসিক

# জীৱনৰ বাৰটা মূল্য সম্পদ

১। সঠিক মানসিক ভঙ্গি ঃ

সঠিক মানসিক ভঙ্গিয়ে বাৰটা শ্ৰেষ্ঠ সম্পদৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছে। কাৰণ পাৰ্থিৱ অপাৰ্থিৱ সকলো সম্পদৰ আৰম্ভণি হয় মানসিক অৱস্থাৰ পৰা আৰু ইয়াৰ ওপৰত প্ৰত্যেক মানুহৰ সম্পূৰ্ণ আৰু অবিচল নিয়ন্ত্ৰণ ক্ষমতা আছে। ব্যক্তিৰ মানসিক ভঙ্গিৰ 'আকৰ্ষণী ক্ষমতাই' পাৰ্থিৱ সম্পদৰ লগতে সম পৰিমাণে ভয়, আকাংশা, সন্দেহ আৰু বিশ্বাসৰ সৰবৰাহ কৰে।

২। সুন্দৰ শৰীৰ আৰু স্বাস্থ্য ঃ

স্বাস্থ্য সম্পৰ্কে সচেতন থকাই সুন্দৰ স্বাস্থ্যৰ গুৰিৰ কথা। স্বাস্থ্যৰ বাবে চিন্তা-ভাৱনা, ৰোগ ব্যাধি সম্পৰ্কে চিন্তান্বিত নোহোৱা আৰু ইয়াৰ লগতে মানসিক গঠন, খাদ্য সম্পৰ্কে সচেতনা আৰু শাৰীৰিক কাৰ্য-কৰ্মৰ ভাৰসাম্য ৰক্ষা কৰি চলাৰ ক্ষেত্ৰত মানসিক দৃষ্টি ভঙ্গিৰে সঠিক পদক্ষেপ গ্ৰহণ কৰে। মানুহৰ নানা ধৰণৰ ৰোগ নিবাৰণৰ ক্ষেত্ৰত মানসিক ভঙ্গিয়ে মূখ্য ভূমিকা লয়।

৩। মানসিক সম্পৰ্কৰ ক্ষেত্ৰত সমন্বয় ঃ

সমন্বয় বা সংহতি দুই ধৰণৰ। সমন্বয় বাৰটা শ্ৰেষ্ঠ সম্পদৰ ভিতৰত অন্যতম হৈ উঠাৰ কাৰণেই এই দুয়োটাৰে প্ৰয়োজন হয়। প্ৰধানত ঃ নিজৰ কাৰণে প্ৰথমটো আৰু আনটো অন্যান্য সকলৰ বাবে প্ৰয়োজন। সেয়ে ব্যক্তিয়ে নিজৰ অন্তৰত সমন্বয় গঢ়ি তোলা উচিত। এই কাম কৰিবলৈ গ'লে সেয়ে দৰকাৰ ভয়ক জয় কৰা, ইতিবাচক সদৰ্থক মানসিক ভঙ্গি গঠন কৰা আৰু জীৱনৰ প্ৰকৃত উদ্দেশ্য গ্ৰহণ কৰা।

৪। ভয়ৰ পৰা মুক্তি ঃ

ভীতিৰ দাসত্বৰ শৃংখলত আৱদ্ধ থাকিলে যিকোনো ব্যক্তিয়েই সম্পদশালী হ'ব নোৱাৰে আৰু স্বাধীনো নহয়। ভয়ৰ পৰা মুক্তি আৰু স্বাধীনতা লাভ কৰা ক্ষেত্ৰত আপোনাৰ কিমানখিনি শক্তি আছে আৰু আপোনাৰ অৱস্থান ক'ত সেয়া জনাৰ আগতে আপোনাৰ মনৰ ভিতৰত সাতটা মূল ভয়ৰ কোনটোৱে বাহ বান্ধিছে, সেইটো উলিয়াব লাগিব। ইয়াৰ বাবে আপোনাৰ মনৰ ভিতৰত গভীৰ অনুসন্ধান চলাওক, মনত ৰাখিব সেই সাতোটা মূল ভীতিক দমন কৰাৰ বিশ্বাস যেতিয়া অৰ্জন কৰিব পাৰিব, তেতিয়াই আপুনি পৰিপূৰ্ণভাৱে আপোনাৰ মনক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'ব আৰু তাৰ মাজেৰেই জীৱনত যি বিচাৰে বা নিবিচাৰে, সেয়াও নিশ্চিত কৰিব পাৰিব।

৫। ভৱিষ্যত সাফল্যৰ আশা ঃ

মনৰ বিভিন্ন অৱস্থাৰ ভিতৰত সকলোতকৈ অগ্ৰগন্য হ'ল বিশ্বাসৰ অগ্ৰদূত। আশাই প্ৰয়োজনৰ সময়ত মানুহক জীয়াই ৰাখে, নহ'লে তাৰ ঠাই ভয়েই দখল কৰি লয়। আশাই হ'ল মানৱ জীৱনৰ সুখৰ মূল। এই আশাই মানুহৰ ভৱিষ্যত পৰিকল্পনাবোৰ ৰঙীন কৰি তোলে।

৬। বিশ্বাসৰ ক্ষমতা ঃ

বিশ্বাস হ'ল সচেতন মন আৰু নিখিল বিশ্বৰ বিশাল অসীম জ্ঞান ভাণ্ডাৰৰ যোগসূত্ৰ। ইয়েই হ'ল পৃথিৱীৰ সমস্ত আকংক্ষিত সম্পদে জন্ম লাভ কৰা মন কাননৰ উৰ্বৰ ভূমি। বিশ্বাসে মানুহক সমগ্ৰ সৃষ্টিতে প্ৰেৰণা আৰু চিন্তাৰ আবেগ আনি দিয়ে। ই আত্মাৰ আত্মীয় আৰু অসীম জ্ঞানৰ ভাণ্ডাৰ। বিশ্বাস হ'ল মানুহৰ আধ্যাত্মিক ৰূপৰ আধাৰ। ই প্ৰৰ্থনাৰ লগত মিশ্ৰিত হ'লে অসীম জ্ঞানৰ সৈতে যোগসুত্ৰ স্থাপন কৰে।

৭। আৰ্শীবাদ ভাগ কৰি লোৱাৰ ইচ্ছা ঃ

যি মানুহে কোনো দিনে আৰ্শীবাদক আনৰ সৈতে ভগাই ল'বলৈ শিকা নাই বা সেই কৌশল আয়ত্ব কৰা নাই, তেওঁ কেতিয়াও প্ৰকৃত চিৰন্তন সুখৰ মুখ দেখা নাই। আৰ্শীবাদ আনৰ সৈতে ভগাই ল'ব পাৰিলেহে জীৱনত প্ৰকৃত সুখ পোৱা যায়। এজন মানুহে আনৰ হৃদয়ত যিখিনি ঠাই দখল কৰিবলৈ সক্ষম হয়, সেয়া সম্ভৱ হয় তেওঁৰ আৰ্শীবাদ আনৰ সৈতে ভাগ কৰি লৈ সেৱাৰ আদৰ্শ বজাই ৰখাৰ কাৰণেহে। নিজে লাভ কৰা আৰ্শীবাদ বা অন্তৰৰ সম্পদক আনৰ লগত ভগাই ল'ব নুখুজিলে এজন মানুহৰ আত্মাৰ সৈতে তেওঁ নিজৰ যোগসূত্ৰও ছিন্ন হৈ যায়।

৮। প্ৰেম বা ভালপোৱাৰ বাবে পৰিশ্ৰম ঃ

প্ৰেমৰ বাবে শ্ৰম কৰিব পৰাটোৱেই মানুহৰ আকাংক্ষাৰ সকলোতকৈ শ্ৰেষ্ঠ ৰূপ। মানৱ জীৱনত প্ৰয়োজন হোৱা সকলোবোৰৰে সৰবৰাহ সম্ভৱ হয় একমাত্ৰ পৰিশ্ৰমৰ দ্বাৰা। মানুহে আগুৱাই যোৱাৰ একমাত্ৰ পথো এইটোৱেই। ভালপোৱা বাবে কৰা পৰিশ্ৰম খুৱ পবিত্ৰ আৰু সুখময়, কাৰণ ইয়ে জীৱনলৈ আনে আনন্দৰ সূচনা, নিজকে বিলাই দিয়াৰ আনন্দ। যি কাম কৰি আপুনি আনন্দ পায়, তাকে কৰক, ইয়াতে আপোনাৰ জীৱন পৰিপূৰ্ণ হৈ উঠিব। আপোনাৰ আত্মাও শান্তিৰে ধন্য হ'ব। তাৰ লগে লগে আপুনি যি সকলৰ সংস্পৰ্শলৈ আহিব, তেওঁলোকৰ জীৱনো হ'ব বিশ্বাস আৰু প্ৰেৰণাৰে পৰিপূৰ্ণ।

৯। সকলো বিষয়ত মন খোলা বা মুক্ত ৰখা ঃ

সহনশীলতা হ'ল সংস্কৃতিৰ এক উচ্চতম মাপকাঠি। যি ব্যক্তিয়ে সকলো বিষয়তে মন-প্ৰাণ খোলাকৈ ৰাখিবলৈ সক্ষম, তেওঁহে সহনশীল হ'ব পাৰে। বিশ্বৰ সকলো মানুহৰে প্ৰতি তেওঁৰ মনোভাৱ এই ধৰণেই হয়। যি প্ৰকৃততেই শিক্ষিত, তেওঁৰ জীৱনৰ বাৰটা সম্পদ আহৰণ কৰাৰ কাৰণেও প্ৰস্তুত। মনত মুকলি ধ্যান, চিন্তাৰ পৰা আঁতৰাই আৱদ্ধ কৰি ৰাখিলে ব্যক্তিৰ মনৰ সৈতে অসীম জ্ঞানৰ যোগসূত্ৰ অসম্ভৱ হৈ পৰে। আনহাতে উন্মুক্ত মনে সকলোবোৰ বিষয় বিচাৰ কৰা কাৰ্যত পূৰ্ণতাৰ প্ৰকাশ ঘটায়।

১০। আত্ম-শৃংখলা ঃ

যি ব্যক্তিয়ে নিজৰ ওপৰত নিয়ন্ত্ৰণ আৰু প্ৰভূত্ব খটাব নোৱাৰে, তেওঁ কেতিয়াও নিজৰ বাহিৰে অন্যান্য কাৰোৱাৰ প্ৰভু হৈ উঠিব নোৱাৰে। যিজনে নিজকে সম্পূৰ্ণ নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম তেওঁ এই পৃথিৱীত নিজৰ ভাগ্য নিজেই গঢ়িব পাৰে। তেওঁ হৈ উঠে 'ভাগ্যৰ কাণ্ডাৰীচ আৰু আত্মৰ নিয়ন্ত্ৰক। সৰ্বোচ্চ আত্ম শৃংখলাৰ উদাহৰণ হ'ল হৃদয় বিনম্ৰতা প্ৰকাশ বিশেষকৈ যিজনে সকলো ধৰণৰ সম্পদ আহৰণত সক্ষম হ'ব পাৰিছে বা যিজনে তেওঁৰ কাম কাজৰ সাৰ্ব্বজনীন প্ৰশংসা বা পৰিচিত লাভ কৰিছে, তেওঁৰেই বিনম্ৰতা প্ৰকাশ অধিক প্ৰয়োজন।

১১। মানুহক বুজিব পৰা ক্ষমতা ঃ

যি ব্যক্তি সকলো মানুহক বুজিব পৰা শক্তিৰ বলীয়ান, তেওঁ মানুহৰ ভাল বা বেয়া সকলো ধৰণৰ কাৰ্যৰ ধাৰা জীৱনৰ মূল উদ্দেশ্যৰ সহায়ত প্ৰভাৱিত হয়। যেনে-

ক) ভাল পোৱাৰ আৱেগ।

খ) মৌন আৱেগ।

গ) পাৰ্থিৱ সম্পদ লাভৰ আকাংশা।

ঘ) আত্মৰক্ষাৰ আকাংশা।

ঙ) শৰীৰ আৰু মনৰ স্বাধীনতাৰ আকাংশা।

চ) পৰিচিত আৰু আত্ম প্ৰকাশৰ আকাংশা।

ছ) মৃত্যুৰ পিছত জীৱনৰ ৰূপ সম্পৰ্কে ভাবনা।

জ) ক্ৰোধৰ আৱেগ।

যি ব্যক্তিয়ে আন কাৰোবাক বুজিব খোজে, তেওঁ প্ৰথমে নিজকে বুজিব লাগিব। কাৰণ যি উদ্দেশ্যই একে চৰ্ত্তানুযায়ী আনকো উদ্bুদ্ধ কৰে। আনক বুজিব পৰা বা আনৰ অনুভূতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা কথাটোৱেই সকলো ধৰণৰ বন্ধুত্বৰ গুৰিৰ কথা।

১২। অৰ্থনৈতিক নিৰাপত্তা ঃ

কেৱল টকা থাকিলেহে অৰ্থনৈতিক নিৰাপত্তা নাথাকে। আনৰ প্ৰতি কৰা সেৱাৰ মাধ্যমেৰে এয়া অৰ্জন কৰা সম্ভৱ। এই কাৰ্যকৰী সেৱাই শেষত মানসিক প্ৰয়োজনলৈ সলনি হৈ যায় যি অৰ্থ ব্যয় কৰি বা নকৰাকৈয়ো অৰ্জন কৰা সম্ভৱ।

উমাৱতী মাঝি

স্নাতক ৫ ম ষান্মাসিক

# সহজ আনন্দ

বৰ্তমান সময়ত দেখা যায় যে বেছিভাগ মানুহৰে মুখত নিৰ্মল আনন্দৰ জিলিকনি নাই। সমাজৰ সকলো স্তৰৰ সকলো বয়সৰ মানুহৰ মাজতেই এই অসুখ দিনে দিনে বেছি হৈ আহিছে। কেৱল শিশুৰ বাহিৰে আনে আজিকালি প্ৰকৃত আনন্দৰ সোৱাদ ল'বলৈ পাহৰি গৈছে। মাথোন উৎকণ্ঠ, উদ্বেগ, হতাশা আৰু বিষাদ কঢ়িয়াই লৈ ফুৰাটো আধুনিক মানুহৰ স্বভাৱত পৰিণত হৈ পৰিছে। উৎকণ্ঠ আৰু উদ্বেগৰ প্ৰকৃত কাৰণ থাকিলে মানুহ সুখী হোৱাটো মানি ল'ব পাৰি যদিও যাৰ তেনে কোনো কাৰণ নাই তেওঁলোকো এই দুটি ব্যাধিত ভোগাটো আজিৰ দিনৰ নতুন সমস্যা।

মানুহৰ জীৱনত দুখ আৰু সংঘাত এক এৰাব নোৱাৰা ........। ভাবি চালে দেখা যায় যে যিহেতু মানুহৰ জন্মই হৈছে মৃত্যুৰ বাবে, তদুপৰি মানুহ নিৰন্তন নিয়তিৰ হাতৰ পুতলা, গতিকে সীমিত সময়ৰ জীৱনত বেদনাতহে শেষ সত্য। পিছে সেই সত্যকে খামুচি ধৰি থাকিলে জীৱনৰ অৰ্থ নাথাকে। জীৱন দুদিনীয়া বাবেই বৰ মূল্যবান। পৃথিৱীত আমি লাভ কৰা মাথোন কেইটামান দিনৰ সুযোগৰ বাবেই আমি কৃতজ্ঞ হোৱা উচিত। কবি নলিনীবালা দেৱীয়ে কৈছে-

আজিৰে নোহোৱা মোৰ সুন্দৰী পৃথিৱীৰ

জনমৰ যুগীয়া তুমি
তুমি মোৰ জীৱনৰ শান্তি জিৰণি
অতীতৰ স্বপ্নলীলা তুমি।

মানুহে পৃথিৱীৰ মাজত অথবা জীৱনৰ মাজত নিৰন্তৰ সন্ধান কৰে। চহকী হওক অথবা নিচলা হওক, সকলো মানুহৰে জীৱনৰ লক্ষ্য একে, সুখৰ কামনা। জীৱনৰ মাজত নানা প্ৰকাৰে তাৰ সমল বিয়পি থাকে। হতাশাত বুৰ গৈ সেই অমূল্য জীৱনক অৰ্থহীন কৰা অনুচিত। আমাৰ সমাজত দেখা যায় যে প্ৰকৃত কাৰণৰ বাহিৰেও মনে ভাৱি বিচাৰি উলিওৱা উপৰুৱা কাৰণেহে মানুহক বেছি আমনি কৰে। আৰ্থিক অৱস্থাই দান কৰা অসন্তুষ্টি, আনৰ লগত কৰা তুলনাই দিয়া অসন্তুষ্টি, আনৰ প্ৰতি থকা ইৰ্ষাৰ ফলত হোৱা অসন্তুষ্টি আদি কাৰণত মানুহে মনৰ সুখ হেৰুৱায়। গতানুগতিক জীৱন ধাৰায়ো মানুহক অজানিতে কৰ্কশ কৰি তোলে। কৰ্মব্যস্ত জীৱনৰ প্ৰাণহীন গতিপথে মানুহক যান্ত্ৰিক কৰি তোলাৰ ফলত চকুৰ আগতে থকা আনন্দৰ উৎসবোৰে মানুহে চাবলৈ নজনা হৈ আহিছে। এই আটাইবোৰ দিশ মানুহে বুজি পালে জীৱনত সুখী নোহোৱাৰ কাৰণ নাই।

আৰ্থিক অৱস্থাই মানুহক সবাতোতকৈ গভীৰ মনোবেদনা দিব পাৰে। পিছে ইয়াৰো স্তৰভেদ আছে। নিজৰ সন্তানক এমুঠি খাবলৈ দিব নোৱাৰাৰ বেদনা আৰু মনে বিচৰা দামী বাহনখন কিনিব নোৱাৰা বেদনা সমগোত্ৰীয় নহয়। যি কি নহওক এনে পৰিবেশত দুৰাকাংক্ষা ত্যাগ কৰিব লাগে আৰু প্ৰয়োজনত নিজৰ আৰ্থিক অৱস্থা টনকীয়া কৰিবৰ বাবে সৎ পথৰ সন্ধান কৰিব লাগে আৰু নিজতকৈও অধিক দুৰ্দশাগ্ৰস্ত জনৰপ্ৰতি মনদি নিজকে প্ৰবোধ দিব লাগে। মানসিক অসন্তুষ্টি সবাতোকৈ ডাঙৰ কাৰণ হ'ল আনৰ লগত কৰা তুলনা। ওচৰ চুবুৰীয়া সহকৰ্মী বা জনা-শুনালোকৰ খ্যাতি আৰু বৈভৱে যাৰ অন্তৰত পোৰণি তোলে তেওঁ নিজৰ মানৰ জ্বালাত নিজে দহি মৰে। তেনে মানুহ গভীৰ ভাৱে অসুখী হয়। গতিকে ঈৰ্ষাৰ ভাব সমূলি বিসৰ্জন দিয়া উচিত। ইয়াৰ পিছত আহে মৰুময় জীৱনত সুখৰ জলধাৰা বোঁৱাব পৰা দুটিমান পথৰ কথা। প্ৰথম হ'ল সংকোচ আৰু হীন মান্যতা ত্যাগ কৰা। সজ পথত থকা, অন্যায় আৰু অপৰাধ নকৰা মানুহৰ নিজৰ ওপৰত আস্থা থকা উচিত। জীৱনৰ প্ৰতিতো ক্ষণতে নিজৰ মাজত থকা শক্তিক লাগিলে সি যিমানেই ক্ষুদ্ৰ নহওক, উপলব্ধি কৰা উচিত। মন বেয়া লাগিলে, হতাশা আহিলে, সাহসেহে বুজাবুজি কৰিব লাগে। মনটো যেন শুকাই নাযায় এয়ে হ'ল সবাতোকৈ প্ৰয়োজনীয় কথা। গান শুনাৰ মাজত থাকে শান্তিৰ সৰগী দুৱাৰ। গান শুনাৰ অভ্যাস অতিশয় প্ৰয়োজনীয়। আজৰি সময়ত নাইবা কামৰ ফাঁকে ফাঁকে ভাল লগা গান শুনিব পাৰিলে মন সজীৱ হৈ থাকে। সেইদৰে ভাল অভ্যাস হ'ল সাহিত্য অধ্যয়ন। সাহিত্যই

কেৱল যে আনন্দহে প্ৰদান কৰে এনে নহয়, ই জীৱনৰ জটিল দিশৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ অজানিতে মনটো সাজু কৰি তোলে। কবিতা ভাল পাবলৈ জানিলে পাৰ্থিৱ জগতৰ মাজতে অন্য এখন জগতৰ সন্ভেদ পোৱা যায়। এইখন জগতত অনাবিল শান্তি, দুদ ইয়াত জিৰাই যাব পাৰিলে ব্যৱহাৰিক জীৱনৰ অশান্তিৰ উগ্ৰতা বহুখিনি কমে।

পৃথিৱীক ভাল পাবলৈ শিকা, প্ৰকৃতিক ভাল পাবলৈ শিকা এয়া হ'ল সহজ আনন্দ লাভৰ মূল মন্ত্ৰ। মূৰৰ ওপৰৰ নীলা আকাশে বিবিধ ঋতুত বিবিধ ৰূপেৰে, দিন আৰু ৰাতিৰ নানা শোভাৰে নিজকে সজাবই লাগিব চাবলৈ আমাৰ আহৰি নাই। পুৱাৰ সোণালী, গধূলিৰ হেঙুলে অবৰ্নিশে হাত-বাউলি দিছে, আমি দেখিও দেখা নাই। পাহাৰ-নদী-ধাননি পথাৰত ৰূপৰ মহা মেলা বহিছে, আমি চাবলৈ জনা নাই আৰু ঢাপলি মেলিছো ধন খৰছ কৰি যাব লগা কোনোৱা দূৰণিলৈ। যিবোৰে যাব পৰা নাই, ঘৰতে নিজৰ ভাগ্যক দোষী বহি আছো। প্ৰতিটো দিনতে অলপ সময় অকলে নিজৰ মনৰ লগ কথা পতা আৱশ্যক। নিজৰ মনটো নিজেই ভালকৈ বুজি লোৱা উচিত, মনে বিচাৰে কি, যদি উচিত কামনা আছে, তাৰ বাবে একলা দুকলাকৈ সাজু হ'ব লাগে। যদি অনুচিত কামনা তেন্তে তাক লাহে লাহে বিসৰ্জন দিয়া উচিত। নিৰ্মল মনেই হ'ল আনন্দৰ আধাৰ।

নিৰ্মল মনৰ লগতে নিৰ্মল চৰিত্ৰ আৰু নৈতিকতাৰ গুৰুত্বও মনত ৰখা উচিত। তেওঁ আনৰ আগত সদায় আধা মুখ।

আনন্দ লাভৰ সহজতম উপায় হ'ল পৰোপকাৰ। প্ৰতিটো দিনতে নহ'লেও মাজে সময়ে যদি দুৰ্গতজনৰ সহায়ৰ বাবে সামান্য কিবা এটা কৰিব পাৰি সেয়াও পৰোপকাৰৰ ভিতৰতে হ'ব পাৰে। সেয়ে কবিয়ে কৈছে-

দেখিছো পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ
মানুহেই দেৱ ইহজগতৰ
মানুহেই পৰাপৰ।

গতিকে মানুহৰ মংগলৰ বাবে নিজকে উছৰ্গা কৰিব পৰাৰ মাজতে আছে শান্তিৰ গোপন সাঁচাৰ কাঠি। আৰ্থিক সহায়ৰ কথা এৰিও মুখৰ মাতষাৰ বৰ ডাঙৰ সহায়। মুখৰ মাতেৰে সহায় কৰা সেই দুৰ্গতজন বাটৰ মগনীয়া হ'ব পাৰে, কোনোবা চকুৰ চিনাকী দৰিদ্ৰ হ'ব পাৰে, ৰুগীয়া হ'ব পাৰে অথবা আমি ঘূৰি চাবলৈ পাহৰি যোৱা আমাৰ পিতৃ-মাতৃও হ'ব পাৰে। একোজন নিঃসহায় অথচ আমি লাভ কৰিম মানসিক প্ৰশান্তিৰ আনন্দ। গতিকে মনত পেলাব পাৰি ভূপেন হাজৰিকাৰ সেই যুগজয়ী গীতটো—

মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাৱে
অকনি সহানুভূতিৰে
ভাৱিব কোনেনো কোৱা।

এইটি গীততে থকা এই কথাফাঁকি কেনে প্ৰণিধান যোগ্য-

দুৰ্বল মানুহে যদি জীৱনৰ কোৱাল নদী
পাৰ হয়, তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?

সঁচা আনক সহায় কৰিলে নিজৰ একো নেহেৰায়। বাঢ়ে মাথো আপোন মনৰ সন্তুষ্টি। দুখীজনৰ কাষত থিয় দিয়াটো কেৱল কৰ্তব্যই নহয়, নিজৰ বাবে সুখৰো পথ আছে ইয়াতেই। মনত ৰখা ভাল যে দুখ ভগাই ল'লে কমি আহে আৰু আনন্দ ভগাই ল'লে বাঢ়ি আহে।

আনন্দৰ ইমানবোৰ সমল হাতৰ কাষতে থকাৰ পিছত মানুহ অসুখী হোৱাৰ আচলতে কোনো কাৰণ নাই।

পুৰুষোত্তম দলে
স্নাতক ১ ম ষান্মাসিক

□□

# সংগ্ৰাম

'সৃষ্টিৰ দিনৰে পৰা নিয়তিৰ স'তে হোৱা
মানুহৰ সংগ্ৰাম অক্ষম,
আমি তাৰ স্মৃতি স্তম্ভ, সোঁৱৰাই মানুহৰ বীৰ্য
আৰু নিয়তিৰ জয়।"

জীৱনৰে অন্য নাম সংগ্ৰাম। মানুহে এই সুন্দৰ পৃথিৱীৰ মুখ দেখাৰ পৰা নিয়তিৰ কোলাত আশ্ৰয় লোৱা লৈকে ই আধাৰিত এক সংগ্ৰাম। নিয়তিৰ কৰাল গ্ৰাসৰ পৰা মানুহৰ পৰিত্ৰানৰ উপায় নাই। কিন্তু মানুহৰ কৰ্ম শক্তিৰে জীৱন সংগ্ৰামত বীৰদৰ্পে যুঁজি প্ৰকৃত মানুহ হিচাপে পৰিচয় দিব পৰাতেই জীৱনৰ সাৰ্থকতা।

আমি এনে কিছুমান ব্যক্তিৰ জীৱন চৰিত পঢ়িবলৈ পাও যিসকলে তেওঁলোকৰ প্ৰত্যেকটো দূৰ্যোগলৈ ৰূপান্তৰিত কৰিছে। তেওঁলোকৰ জীৱনৰ প্ৰত্যহ্বান স্বৰূপে অহা হেঙাৰবোৰক প্ৰগতিৰ জখলাত তুলি দিছে। উদাহৰণ স্বৰূপে ক'ব পাৰি বিশ্বৰ এগৰাকী আগশাৰীৰ জ্যোতি বিজ্ঞানী ষ্টিফেন উইলিয়াম হকিঞ্চৰ কথা। ১৯৪২ চনৰ ৮ জানুৱাৰী তাৰিখে ইংলেণ্ডৰ অক্সফ'ৰ্ডত জন্মগ্ৰহণ কৰা হকিঞ্চে এজন স্বাস্থ্যবান সন্তান হিচাপেই জন্মগ্ৰহণ কৰিছিল। কিন্তু ২১ বছৰ বয়সত তেওঁ দুৰাৰোগ্য ৰোগ 'এমায়'ট্ৰফিক লেটাৰেল স্কেৰ'ছিছ বা মটৰ নিউৰ'ন ৰোগত আক্ৰান্ত হয়। তথাপিও তেওঁ মহাকাশৰ বিভিন্ন বিষয়ত যেনে- ক'লা গহ্বৰ বা ব্লেক হোল আদি বিষয়ত গৱেষণা কৰি বিশ্ববাসীলৈ এক অতুলনীয় অৱদান আগবঢ়ালে।

বিশ্বৰ অগৰাকী শ্ৰেষ্ঠ সংগীতজ্ঞ আছিল বিথোভেন। তেওঁ বধিৰ আছিল। সৰু কালত বিথোভেনক কোৱা হৈছিল তেওঁৰ কোনো প্ৰতিভা নাই কিন্তু তেওঁ পৃথিৱীক কিছু শ্ৰেষ্ঠ সংগীত দি থৈ গ'ল।

এগৰাকী বিশ্ব বৰেণ্য নেতা আমেৰিকাৰ ৰাষ্ট্ৰপতি ফ্ৰেকলিন ৰুজভেল্টে চকা লগা চকী এখনত বহি বহিয়েই নিজৰ কাম কৰিছিল।

তাৰ উপৰিও ১৯৬০ চনৰ অলিম্পিকত বিশ্বৰ শ্ৰেষ্ঠ দৌৰ বিৰাংগনা হোৱা বিলমা ৰুজল্ফটেনেচি আছিল এগৰাকী পংগু নাৰী।

এনেধৰণৰ উদাহৰণ বহুতো আছে। সফল ব্যক্তিয়ে সমস্যাৰ অবিহনে নহয় সমস্যা সত্বেও সাফল্য অৰ্জন কৰে ইয়াৰ বাবে প্ৰয়োজন এক ইতিবাচক মনোভাৱ আৰু সাধনা।

শাৰিৰীক প্ৰতিবন্ধকতা মানুহৰ জীৱনৰ বাধা নহয়। মানসিক সুন্দৰতাইহে মানুহে জীৱন গঢ়িব পাৰে।

যুগল কিশোৰ মহন্ত
স্নাতক ১ ম ষান্মাসিক

# চাকৰি

সহজ সৰল মনৰ মানুহ ৰত্ন। তিনিটা প্ৰাণীৰে এখন সৰু সংসাৰ। বৃদ্ধ মাক, নৱ-বিবাহিতা পত্নী তৃষ্ণা আৰু তেওঁ। ৰত্নই নিতৌ চাকৰি বিচাৰি ওলাই যায় চহৰলৈ। চহৰৰ অফিচত চাকৰি বিচাৰি নাপাই ঘৰলৈ ঘূৰি আহি দিনৰ ভাগতে হতাশ হৈ আহে। মাকে তাক সোধে বোপাই কিবা এটা যোগাৰ কৰিব পাৰিছনে? ৰত্নই উত্তৰ দিব নোৱাৰিলে। মাকে জানে আজিৰ দিনত চাকৰি পোৱাটো সহজ নহয়।

এদিন সি মাকক কৈছিল- মা মই আৰু আজিৰ পৰা চাকৰি বিচাৰি নাযাওঁ। ৰত্নৰ কথা শুনি মাকে ক'লে কিয় বোপাই পঢ়ি শুনি এতিয়া চাকৰি নকৰি ঘৰতে বহি থাকিলেতো নহ'ব। ইফালে বিয়াখনো পাতিলি। এতিয়া ময়ো বুঢ়ী হৈ আহিছো। দুবাহুত শক্তি থকালৈকে বহুত কিৱা কি বি কৰিলো। দেহৰ অংগ-পতংগবিলাক মোৰ অচল হৈ পৰিছে। বোৱাৰী তথা মোৰ জীৱন এতিয়া সম্পূৰ্ণ তোৰ ওপৰতে নিৰ্ভৰশীল। ৰত্নই মাকক ক'লে মা মই এতিয়া কি কৰো চাকৰি বিচাৰি চহৰলৈ গ'লো তাতো একো নাপালো। আজি কালি হাজাৰ লাখ টকা ঘোচ দিব নোৱাৰিলে চাকৰি পোৱা নাযায়। যদি হাজাৰ লাখ টকা থাকিলেহেতেন তেতিয়া মই চহৰত গৈ অফিচত ঘূৰি ফুৰিব লগা নহ'ল হেতেন। চাকৰি নিজে মোৰ লগ হ'লহেতেন। আজিৰ যুগত আমাৰ দৰে দাল-দৰিদ্ৰ মানুহে চাকৰি বিচৰাটোৱেই ভুল। মাকে পুনৰ কৈছিল বোপাই তই ঠিকেই কৈছ। কিন্তু আমাৰ এতিয়া হাজাৰ লাখ টকা নাই।

তই সৰুতেই তোৰ দেউতাৰ ঢুকাল। দুখ কষ্ট কি মই একো অনুভৱ কৰিবলৈ নিদি তোক ডাঙৰ-দীঘল কৰিলো। সময়ত মই তোৰ দেউতা হওঁ। তই মোক প্ৰশ্ন কৰিছিলি? মা দেউতা ক'ত আছে?

মই একো ক'ব নোৱাৰকৈ কৈছিলো আমেৰিকাত চাকৰি কৰি আছে। তেতিয়া তই মনে মনে আছিলি। তোক বোকোচাত লৈ মই আনৰ ঘৰৰ পৰা হাজিৰা কৰি তোক খুৱাইছিলো। কপালৰ ঘাম মাটিত পেলাই বহুত কষ্ট কৰি তোক মই বি. এ. পাছ কৰালো। কথাটো শুনি ৰত্নই চকু পানী টুকিবলৈ ধৰিলে। তেতিয়া ৰত্নই মাকৰ আগত প্ৰতিজ্ঞা কৰি কৈছিল। মা মই আপোনাৰ চৰণ চুই প্ৰতিজ্ঞা কৰি কৈছো মই মোৰ নিজৰ ভৰিত এদিন ঠিয় দিম। মোৰ পত্নী তৃষ্ণাৰ জীৱনলৈ আনন্দৰ জোঁৱাৰ আনিম। কেৱল চাকৰি কৰিহে মানুহ আত্ম নিৰ্ভৰশীল হ'ব নোৱাৰে। মানুহে জীয়াই থাকিব পৰা বহুত কিবাকিবি আছে।

ৰত্নই গাঁৱৰ স্কুলত সোমাল। তাতেই গাঁৱৰ ল'ৰা-ছোৱালীবোৰক পাঠদান কৰে। তাৰ পাছত তেওঁ গাঁৱৰ ল'ৰা-ছোৱালীবোৰক ব্যক্তিগত ভাৱেও পাঠদান কৰালে। ইয়াৰ উপৰিও ৰত্নই বাৰীত শাক-পাচলি খেতি কৰি চহৰৰ বজাৰত বিক্ৰি কৰে। এনেকৈ তৃষ্ণা আৰু মাকক কোনো মতে পোহপাল দি সংসাৰ চলাইছিল।

বছৰ লাহে লাহে বাগৰি যায়। ৰত্নৰ ঘৰখন আজি জয়জয় ময়ময় আৱস্থা। আগৰ কেৰাচিন খৰিৰ পৰিবৰ্তে এতিয়া ৰন্ধন গেছ ব্যৱহাৰ কৰে। ৰত্নই নিজাববীয়াকৈ এখন দুচকীয়া বাহন ল'লে। আজি কালি ৰত্নই শাক-পাচলিৰ খেতি নকৰে। গাঁৱৰ স্কুলতো শিক্ষা দান নকৰে। স্কুল খনত তেওঁ গাঁৱৰ এজন নিৱনুৱাক নিযুক্তি দি ৰত্নই ব্যৱসায়ত মনোনিৱেশ কৰিলে।

এতিয়া ৰত্ন গাঁৱ খনৰ এজন ভাল ব্যৱসায়ী হিচাপে পৰিচিত হ'ল। স্থানীয় গাঁৱৰ পৰা সকলো ধৰণৰ শাক-পাচলি সংগ্ৰহ কৰি দূৰৰ বজাৰলৈ যোগান ধৰে। মাক আৰু পত্নী তৃষ্ণাক চাই কোনে। এতিয়াহে মাকে পুতেকক উচিত শিক্ষা দিয়া মূল্য অনুভৱ কৰিলে। পিছত ৰত্নৰ সকলো দুখ নাইকিয়া হোৱাৰ পাছত ৰত্নই অনুভৱ কৰিছিল যে মানুহে কেৱল চাকৰি কৰি সফল হম বুলি ভৰাটো ভুল তাৰ পৰিৱৰ্তে বিভিন্ন কাম কাৰ্য কৰিও মানুহৰ জীৱন উন্নত তথা আনন্দময় কৰি তুলিব পাৰি।

মানস প্ৰতীম গগৈ
স্নাতক ১ ম ষান্মাসিক

# তিমিত জোনাক

(ক)

মধুপুৰ.... মধুপুৰ...... মধুপুৰ গাড়ীৰ সৰু ল'ৰাটোৱে চিঞৰি উমীত বিপ্লৱে গম পালে যে তাৰ গন্তব্য স্থানত উপস্থিত হ'লহি। সি ঘড়ীটোলৈ চালে, তিনি বাজিছে। তাৰমানে গধুলি হ'বলৈ আৰু তিনি ঘণ্টামান বাকী আছে। মধুপুৰত নামিলে তাৰ ঘৰলৈ তিনি কিলোমিটাৰ খোজকাঢ়িব লাগিব। হওক, তথাপি গধুলি হোৱাৰ আগে আগে সি অন্ততঃ তাৰ হেপাঁহৰ ঘৰখনত সোমাবলৈ পাৰিব বুলি ভাবি গাড়ীৰ পৰা বেগটো লৈ নামি আহিল।

ঠাই ডোখৰত নামি সি অলপ সময় থিয় হৈ ৰ'ল। এটা চিনাকি গোন্ধ আহি তাৰ নাকত লাগিলহি। সম্পূৰ্ণ ছয় বছৰৰ মূৰত সি ঠাইডোখৰ দেখা পাইছে। তাৰ ঘৰলৈ সোমাই যোৱা ৰাস্তাটোৰ মূৰত থকা আঁহত জোপা এতিয়াও আছে। গছজোপালৈ লক্ষ্য কৰি সি দেখিলে, আহঁত গছৰ পাতবোৰ আহিনৰ এজাক চেচা মৃদু বতাহত কঁপি উঠিছে। এয়া যে তাৰ প্ৰতি ঘৰলৈ অহাৰ প্ৰথম সম্ভাষণ। ৰাস্তাটোৰ কাষত থকা এখন ঘুমটি দোকানৰ পৰা চিগাৰেট এপেকেট লৈ এটকীয়া তিনিটা মুদ্ৰা তাৰ ছটিৰ জেপত ভৰাই তাৰ হেপাঁহৰ ঘৰখনলৈ বুলি খোজ আগবাঢ়ালে।

এখোজ ......... দুখোজ ............ তিনিখোজ... উঃহ, ঘৰখনি যে নাপাবগৈয়ে সি। ইমান দূৰত বাৰু কিয় হ'ল তাৰ ঘৰখন? কেতিয়া পাবগৈ বাৰু তাৰ ঘৰখন? কেতিয়া চুবগৈ পাব মাকৰ সেই পদুমগল। কেতিয়া দেখিবলৈ পাব তাৰ মৰমৰ ভনীয়েক আৰু বায়েকৰ মুখকেইখন। কেতিয়া খাবলৈ পাব অতি মৰমেৰে বনাই দিয়া মাক আৰু বায়েকৰ হাতৰ সুস্বাদু খাদ্য। কেতিয়া বাৰু শুনিবলৈ পাব মৰমৰ ভনীয়েকজনীৰ অভিমান সনা কথাবোৰ। উঃহ, সি আৰু ভৰিব নোৱাৰে। ঘৰৰ কথা ভৱাত তাৰ এক প্ৰকাৰ দৌৰি যাবলৈকে মন গ'ল।

লাহে লাহে তাৰ মনলৈ আহিল সি তাৰ সেই হেপাঁহৰ ঘৰখনৰ পৰাই ওলাই গৈ উগ্ৰপন্থীৰ দলত অন্তভূৰ্ক্ত হৈছিলগৈ। কিদৰে সি সেই দিনবোৰ অতিক্ৰম কৰিছিল আৰু কিদৰে তিনিটা বোমা বিস্ফোৰণ কৰাৰ পাছত তাৰ নিজৰ মনত আত্মোপলব্ধিৰ ভাৱে হীনমন্যতাত ভোগাই আত্মসৰ্ম্পনৰ সিদ্ধান্ত ল'বলৈ বাধ্য কৰাইছিল ইত্যাদি সকলো...।

(খ)

দেউতাকৰ মুখ নেদেখা বিপ্লৱ আছিল ঘৰখনৰ দুই নম্বৰ সন্তান। তাৰ মৰমৰ বায়েক জনী, সি আৰু তাৰ তলৰ ভনীয়েকজনী। ভনীয়েকৰ জন্মৰ পূৰ্বতেই দেউতাকৰ মৃত্যু হোৱাত ঘৰখনৰ সমস্ত দায়িত্ব মাকৰ ওপৰত পৰিছিল। অতি কষ্টৰে মাকে ঘৰখন পোহপাল দিছিল। মাকে আনৰ ঘৰত কাম-বন কৰি হ'লেও সিহঁত কেইটাক পঢ়ুৱাবলৈ যত্ন কৰিছিল। তাৰ বায়েকে নৱম শ্ৰেণীলৈকে পঢ়াৰ পিছত পঢ়া বাদ দি ঘৰুৱা কাম বনৰ লগতে দুই এখন তাঁত-সুত বৈ সেইবোৰ বেচি তাক আৰু ভনীয়েকক পঢ়াইছিল। মাক আৰু বায়েকৰ এটাই হেপাঁহ আছিল যে সি পঢ়ি শুনি এটা ভাল চাকৰি লওঁক আৰু তেতিয়াই সিহঁতৰ জীৱনৰ পৰা দুখৰ ডাৱৰবোৰ আঁতৰ হ'ব। মেট্ৰিক পৰিক্ষাত সি প্ৰথম বিভাগতে উত্তীৰ্ণ হৈছিল। আৰু উচ্চতৰ মাধ্যমিক পৰিক্ষাতো প্ৰথম বিভাগতে উত্তীৰ্ণ হৈছিল। সেই দিন কেইটা সিহঁতৰ কাৰণে অতি আনন্দৰ দিন। সেই আনন্দৰ মাজতে মাকে কেইবাবাৰো উচুপি উচুপি থকা দেখিবলৈ পাইছিল বিপ্লৱে। বেৰত আঁৰি থোৱা দেউতাকৰ ফটোখনৰ সন্মুখত বৈ সেই দিনকেইটাত সি মাকে কোৱা শুনিছিল কিছুমান হৃদয়স্পৰ্শী কথা।

ঃ চাওঁকচোন আমাৰ বিপ্লৱটো আজি বৰ ডাঙৰ হ'ল। সি আজি পৰিক্ষাত ভালদৰে পাছ কৰিছে। আমি সকলোৱে আজি হাঁহিছো। কিন্তু আপুনি! আপুনি য'তেই

আছে তাৰ পৰাই হাঁহক। আমাৰ মাজত যদি আজি আপুনিও থাকিলেহেঁতেন তেন্তে আমাৰ হাঁহিবোৰ আৰু ডাঙৰকৈ ওলালেহেঁতেন। আপুনি আৰ্শীবাদ কৰক যাতে আমাৰ বিপ্লৱ এজন ভাল মানুহ হ'ব পাৰে। সি যেন এটা চাকৰি গোটাব পাৰে আৰু আমাৰ এই হাঁহিবোৰ যেন সদায় মুখতে সজীৱ হৈ থাকে।

সি লাহে লাহে বি. এ. পাছ কৰিলে। কিন্তু টকাৰ অভাৱত আৰু পঢ়িবলৈ সাহস নকৰিলে। ভনীয়েকজনী আছিল তাৰ অতিকৈ মৰমৰ। দুখ কি, দেউতাক কি, কষ্ট কি একো বুজি নোপোৱা ভনীয়েকজনীও পঢ়া-শুনাত যথেষ্ট ভাল আছিল। সময়ৰ অন্তৰালত তাৰ বায়েকৰ মাথোঁ এটাই মত, ভায়েকে যেতিয়া এটা চাকৰি লাভ কৰিব তেতিয়াহে তাই বিয়াত বহিব। হঠাৎ এদিন বিপ্লৱৰ সমনীয়া অচ্যুতে আহি তাক এটা ইণ্টাৰভিউ দিয়াৰ কথা ক'লে। অচ্যুতৰ লগতে সিও ইণ্টাৰভিউ দিবলৈ সাজু হ'ল। কিন্তু সেইদিনা নাছিল তাৰ গাড়ীত যাবলৈ গাড়ীৰ ভাড়া। গতিকে যায় কিদৰে। অথচ মাক আৰু বায়েকৰ চাকৰিৰ আশাত উজলি থকা মুখ কেইখনত আন্ধাৰৰ ছাঁ অকণমানো পেলাবলৈ মন নগৈছিল তাৰ। এইবোৰ ভাৱি থাকোঁতে ক'ৰবাৰ পৰা তাৰ বায়েকে আহি তাৰ হাতত পইচা দি ক'লে,য

ঃ হুঁ, পইচা ল, ইণ্টাৰভিউ ভালদৰে দিবি। চাকৰি কিন্তু তই পাবই লাগিব।

ঃ কিন্তু তই এই পইচা পালি ক'ত?

ঃ সেইবোৰ কথা তই ভাৱিব নালাগে। নহ'ব তই মোক ক'বই লাগিব। ইমান কেইটা পইচা তই ইমান তৎক্ষনাত ক'ত পালি।

ঃ তই মোক অবিশ্বাস কৰিছ নহয়। শুন তেনেহ'লে, মোৰ যে সেই পাটৰ মেখেলাখন আছিল সেইখন আজি বেছি দিলোঁগৈ। তোৰ চাকৰিটোৰ তুলনাত মোৰ পাটৰ মেখেলাখনৰনো কিমান মূল্য আছে। প্ৰথমে তোৰ ভৱিষ্যত, তাৰ পাছতহে মোৰ। গতিকে যা আৰু দেৰি নকৰিবি।

থৰ লাগি চাই ৰৈছিল বিপ্লৱ। থোকাথোকি মাতেৰে কোৱা বায়েকৰ কথাৰেইযাৰ তাৰ বুকুত শূলে বিন্ধাদি বিন্ধিছিল। সি বায়েকৰ দুচকুৰ চকুলোৰ আঁৰত দেখা পাইছিল এক আশাৰ ৰেঙনি।

(গ)

ইণ্টাৰভিউটোত বিছটা ভিতৰত সিও এটা স্থান দখল কৰিবলৈ সক্ষম হৈছিল। কিন্তু তেতিয়াই তাৰ জীৱনলৈ নামি আহিল এচমকা কলিয়া ডাৱৰ। কাৰণ, চাকৰিৰ বাবে প্ৰয়োজনীয় পঞ্চাছ হাজাৰ টকা টি কোনো পথ্যেই গোটাব নোৱাৰে। অথচ ঘৰখনত হাঁহি থকা মুখবোৰ সি বিসাদগস্ত কৰিবও নিবিচাৰে। সি জানে, সি ঘৰত টকাৰ কথা ক'লে মাক আৰু বায়েকে হাতৰ কানৰ সকলোবোৰ বেছি হ'লেও যিকোনো প্ৰকাৰে তাক টকা যোগাৰ কৰি দিব। কিন্তু মাক আৰু বায়েকৰ সেই কষ্ট সি চকুৰে চাব নোৱাৰে। সেয়েহে সি টকাৰ কথা ঘৰৰ পৰা গোপনে ৰাখিলে। ঘৰৰ সকলোৱে তাৰ চাকৰি হ'ল বুলি আনন্দ কৰিবলৈ ধৰিলে। কিন্তু সি! সেই আনন্দৰ জোৱাৰত সিও যোগ দিলে সঁচা, কিন্তু তাৰ মনৰ ভিতৰত এক অজান আশংকাই বাহ ল'বলৈ ধৰিলে।

এটা নিৰ্দিষ্ট সময়ত চাকৰিয়াল মানুহৰ দৰে সি সদায় ওলাই যায় আৰু এটা নিৰ্দিষ্ট সময়ত ঘৰ সোমাইহি। কিন্তু সি এনে দৰে কিমান দিন ফাকি দিব। এমাহ, দুমাহ কৰি তিনিমাহ পাৰ হ'ল। সি গোপনে গোপনে ইতিমধ্য তিনিটা ইণ্টাৰভিউ দিলে। কিন্তু সকলোতে একেই কথা, টকা, উপায় নাই। দৰমহাৰ কথা সুধিলে সি ইটো সিটো কৰি কিমান ফাকি দিব। শেষত হয়তো এই ফাকি বায়েকৰ দৃষ্টিগোচৰ হ'ল। অৱশেষত কিবা প্ৰকাৰে বায়েকে সকলোবোৰ কথা গম পালে। কথাটো গম পাই তাই বহুত বেজাৰ লাগিছিল। আৰু তাই এই কথা মাকক জনাই দিছিল। মাকৰ অন্তৰৰ নিভৃত কোনত লুকাই থকা দুঃখবোধক আৰু প্ৰলৱ কৰি মুক কৰি তুলিলে এই ঘটনাই। মাতৃৰ মমতাই নিজৰ পুত্ৰক চিনিব নোৱাৰাৰ গভীৰ বেদনাই মাকক যথেষ্ট আঘাত কৰিলে।

মাকে বিপ্লৱক এটাৰ পিছত এটাকৈ জেৰা কৰাৰ সি উপায়বিহীন হৈ অৱশেষত সঁচা কথা ক'বলৈ বাধ্য হ'ল। অকমাত্ৰ মৰমৰ, হেঁপাহৰ পুত্ৰই নিজ মাতৃৰ

মমতাক ইমান এটা ডাঙৰ ফাকি দিয়াত মাকৰ মনে সহিব নোৱাৰি তাৰ দুগালত দুচৰ বহুৱাই নানাভাৱে ককৰ্থনা কৰিলে। অন্তহীন কিছুমান দুখলগা গালিৰ শেষত মাকে তাক ঘৰৰ পৰা ওলাই যাবলৈ কৈছিল।

কান্দি কান্দি, চিঞৰি চিঞৰি, গালি দি দি এসময়ত মাক হয়তো ভাগৰি পৰিছিল। শিলপৰা কপৌৰ দৰে থিয় হৈ ৰৈছিল বিপ্লৱ। সি শুনা গালিবোৰৰ লগতে মাকে কোৱা কথাকেইষাৰে তাক বৰকৈ আমনি কৰিলে। যদিহে মাকৰ মুখৰ আগত থাকে তেন্তে মাকে সদায় সেই একে কষ্টৰেই তাৰ দুখ বহন কৰি থাকিব। গতিকে সি ঘৰৰ পৰা ওলাই যোৱাই ভাল হ'ব। বায়েক, মাক আৰু ভনীয়েকৰ মুখবোৰলৈ এবাৰ ভালদৰে চালে সি। ঘৰখনলৈ এবাৰ উভটি চাই সি উলাই গ'ল ঘৰৰ পৰা চিৰদিনৰ বাবে আৰু আৰম্ভ কৰিলেগৈ এটা নতুন জীৱন।

(ঘ)

"উগ্ৰপন্থী" যিটো শব্দ সি সৰুৰে পৰাই ঘৃনাৰ দৃষ্টিৰে চাইছিল, অথচ সি সেই উগ্ৰপন্থী দলতে অন্তভূক্ত হ'লগৈ। যথেষ্ট কষ্টৰে অতিবাহিত কৰিছিল সেই দিনকেইটা। থাকিব লগা হৈছিল কেতিয়াবা হাবিৰ মাজত, কেতিয়াবা অচিনাকী মানুহৰ ঘৰত। খাব লগা হৈছিল কিছুমান অচিনাকী খাদ্য। এনে দৰে লাহে লাহে দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে সিও যথেষ্ট অভিজ্ঞতাৰে পূৰ্ণ হৈ পৰিল। বিভিন্ন অমানৱীয় কাম ইতিমধ্যে সি কৰিছে। হত্যা, লুণ্ঠন, ডকাইটি, ধৰ্ষন আদিৰ দৰে কামবোৰ সি বিনা দ্বিধাৰে কৰিবলৈ লৈছিল। ইতিমধ্যে সি দুটা বোমাও বিস্ফোৰিত কৰিছে।

কিন্তু যেতিয়া তাক তিনি নম্বৰ বোমাটো বিস্ফোৰণৰ বাবে নিৰ্দেশ দিয়া হৈছিল, তেতিয়া তাৰ বুকুখন এক অজান আশংকত কঁপি উঠিছিল। বোমা বিস্ফোৰণ কৰিবলৈ দিয়া হৈছিল যোৰহাটৰ এখন বিহুতলীত য'ত যথেষ্ট মানুহৰ সমাগম হৈছিল। যোৰহাট আছিল তাৰ মোমায়েকৰ ঘৰ। কিয় জানো সেই বোমাটো বিস্ফোৰণৰ সময়ত তাৰ মনটোৱে বাৰে বাৰে কৈ উঠিছিল যে সি কিবা এটা নকৰিব লগীয়া কাম কৰিবলৈ ওলাইছে। কিন্তু কামটো কি সি নাজানে। সেয়েহে বোমা বিস্ফোৰণ হ'ল মানুহৰো মৃত্যু হ'ল যথেষ্ট। কাৰোবাৰ হয়তো সন্তান, কাৰোবাৰ হয়তো পৰিয়াল, কাৰোবাৰ হয়তো পিতৃ-মাতৃ, আন কাৰোবাৰ বাবে হয়তো বায়েক আৰু ভনীয়েক!!!

এশ গৰু মৰিলে বাঘৰো মৰণ হোৱৰ দৰে সিহঁতৰ গোটটোও কাৰোবাৰ হয়তো দৃষ্টি গোচৰ হৈছিল। আৰু এদিন সিহঁত ধৰা পৰি গৈছিল আইনৰ দৃষ্টিত। খাবলগা হৈছিল জেলৰ ভাত। অৱশেষত আত্মোপলব্ধিৰ কিছুমান ভাবনাই তাক লাহে লাহে হীনমন্যতাত ভোগাবলৈ ধৰিলে। মাক আৰু বায়েক আৰু ভনীয়েক জনীলৈ তাৰ বৰকৈ মনত পৰিলে। সেয়েহে সি সকলো পথ পৰিহাৰ কৰি আত্মসমৰ্পনৰ পথ বাছি ল'লে আৰু সেই কামকে কৰি সি মুকলি আকাশৰ তললৈ ওলাই আহিছে।

(ঙ)

এটা বাদুলি আহি তাৰ মূৰৰ ওপৰেৰে শব্দ কৰি পাৰ হৈ যোৱাতহে তাৰ সম্বিত ঘূৰি আহিল যে সি অতীতৰ এক কাল গহ্বৰত বিচৰিত কৰি আছিল। সি চাৰিওফালে আৰু মানুবোৰৰ ঘৰত ইতিমধ্য চাকি-বন্তি জ্বলি উঠাত গধূলি হোৱাৰ সম্ভেদ পালে। আৰু কেইখোজমান গ'লেই হয়তো ঘৰৰ পদূলিটো পাবগৈ। মাকে চাগে এতিয়া গোঁসাই ঘৰত বন্তি জ্বলাইছে। মৰমৰ বায়েকে চাগৈ সন্ধিয়াৰ ভাতসাজৰ বাবে যোগাৰ কৰিছে। আৰু ভনীয়েকে? তাই চাগৈ পঢ়াৰ টেবুলত বহি চাকিটো জ্বলাই লৈ চিঞৰি চিঞৰি পঢ়িবলৈ আৰম্ভ কৰিছে। সি আজি আহিব বুলি গম পোৱা হেতেঁন সিহঁত চাগৈ পদূলিমূৰত ৰৈ তালৈ বাট চাই থাকিলহেঁতেন।

হঠাৎ এডাল গছৰ শিপাত ভৰিটো উজুটি খাই গ'লত নখটোত দুখ পোৱা যেন অনুভৱ হ'ল। তেতিয়াহে সি গম পালে যে সি ইতিমধ্যে ঘৰৰ পদূলি পালেহি। পদূলিৰ এমূৰত থকা এজাৰ গছ জোপাৰ ডাঙৰ শিপা এডাল সিহঁতৰ পদূলিৰ মুখেৰে পাৰ হৈ গৈছে। সি তাতে ৰৈ ঘৰৰ কথা উমান কৰিলে। তাৰমানে চোতালত শেৱালিজোপা এতিয়াও আছে। ঘৰৰ

ভিতৰৰ পৰা ক্ষীন পোহৰ এটা ওলাই আহিছে। সেই পোহৰতে কিবা দেখে নেকি বুলি লি লক্ষ্য কৰিলে। কিন্তু নাই, সি একো নেদেখিলে।

এখোজ দুখোজ কৈ সি ঘৰ দুৱাৰমুখৰ ফালে আগবাঢ়ি আহিল। আজি তাৰ বাবে পদুলিতো যেন বৰ দীঘল নে লাগিছিল। জোনৰ পোহৰতে সি দুৱাৰ খনৰ উমান ল'লে। কিন্তু দুৱাৰখন সি দেখা নেপালে তাৰমানে, দুৱাৰখন ঘৰত নাই। তাৰ ভয় ভয় ভাব হ'ল। সি আচৰিত হ'ল আন এটা কথাত যে ঘৰৰ ভিতৰত কোনো শব্দ নাই। আনে নহ'লেও অন্ততঃ তাৰ ভনীয়েক জনীয়েটো চিঞৰি থাকিব লাগিছিল। তাৰ মনটো কিবা খেলিমেলি হোৱা অনুভৱ হ'ল। এইবাৰ সি ভিতৰলৈ সোমাই গ'ল। কাৰো শা-শব্দ নশুনাত সি ভাবিলে ঘৰৰ মানুহবোৰ ইমান সোনকালে শুলেনে। ভিতৰলৈ সোমাই যোৱাত তাৰ ভৰিটো হঠাৎ পিচলি গ'ল। চিম্‌কি চামাককৈ জ্বলাই থোৱা চাকি এটাৰ ক্ষীন পোহৰত সি দেখিলে এইখিনিচোন গৰুৰ গোবৰ। তাৰমানে সি আৰু একো ভাবিব নোৱাৰিলে। বুকুখনত যেন এটা ধান বনা মেচিন হে চলি আছে। প্ৰত্যেকটো উশাহৰ শব্দ তাৰ শুনা যেন লাগিল। সি ঘূৰি দিয়াত বেৰৰ পৰা কিবা এটা মাটিত সৰি পৰা শব্দ হোৱাত কোঠাটোৰ এচুকৰ পৰা এটা চেপা নীৰিকণ্ঠ ভাহি আহিল—

ঃ কোন ..... ন......।

সি উচপ খাই উঠিল। কোনো মাত মাতিব নোৱাৰা হৈ গ'ল সি। কোঠাৰ চুকত বহি থকা এই পাগলী সদৃশ মানুহগৰাকী আক' কোন? তাইৰ মুখৰ আগত আছে এখন কাঁহী আৰু তাত পৰি আছে দুটামান এটকীয়া মুদ্ৰা। কোনোৱা আহাৰ উমান পাই মানুহগৰাকী এক কৰুণ সুৰেৰে কৈ উঠিল—

ঃ কোন .... ন ..., কোন আহিছ মোৰ ঘৰলৈ? যদি চোৰ আহিছ, কি পাবি ইয়াত হা? মোৰ ঘৰত একো নাই। মোৰ ঘৰত তইঁতে একো নাপাৱ। গধূলি হোৱাৰ লগে লগে ময়ো নেদেখা হওঁ। দিনতে মাগি অনা ভিক্ষাৰ কেইটামান চাউল আৰু দুটকা মান পইচাৰ বাহিৰে আৰু মোৰ ঘৰত কি আছে হা! মোৰ ছোৱালী দুজনীও নাই নহয়। সিহঁত এদিন যোৰহাটৰ মোমায়েকৰ তাত বিহুমেলা চাবলৈ গ'ল, যি গ'ল আৰু আজিলৈ কোনো বাৰু ঘৰলৈ ঘূৰি আহিব নাপায়নে? মোলৈ বাৰু সিহঁতৰ কাৰো মনত নপৰা হ'লনে? আৰুনো মোৰ কিটো আছে অৱশ্যে এটা মোৰ সোণৰ পুতলা আছিল। সিও মোক...... পাহৰি গ'ল... ঐ... মোৰ সোনটো।

মানুহগৰাকী কান্দোনৰ লগতে প্ৰত্যেকটো শব্দই তাৰ বুকুত বজ্ৰপাত মৰা যেন লাগিছিল। থৰ হৈ গ'ল সি। তাৰমানে এই পাগলীজনী আন কোনো নহয়, তাৰ মাক। তাৰ মৰমৰ বায়েক আৰু ভনীয়েক জনী.... সি আৰু ভাবিব নোৱাৰিলে ডিঙিটোত কিবা এসোপাই সোপা মাৰি ধৰা যেন লাগিল। লাহে লাহে সি মানুহ গৰাকীৰ ওচৰলৈ হৈ হাউলি দি ভৰি দুখনত ধৰিবলৈ বিচাৰিলে। কিন্তু তাৰ হাত দুখন আগ নবঢ়া হ'ল। ছাৰ্টৰ জেপত ভৰাই থোৱা এটকীয়া পইচা হঠাৎ কাহীঁখনত পৰি গ'ল। নাই আৰু সি আৰু সহ্য কৰিব নোৱাৰিলে। বুকুৰ পৰা এসোতা কান্দোন ওলাই আহিবলৈ প্ৰয়াস কৰিলে। বাহিৰলৈ এক প্ৰকাৰ দৌৰি অহাদি সি ওলাই আহিলে। তাৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল। চোতাললৈ আহি সি দেখিলে, শেৱালি জোপাৰ ফুলবোৰ অকলশৰীয়াকৈ এপাহি দুপাহি সৰি আছে। আকাশলৈ চাই সি দেখিলে জোনাক বিলাই থকা জোনটোক হঠাতে এচপৰা কলীয়া ডাৱৰে আৱৰি ধৰালে অমানিশা নমাই আনিছে। ক'ৰবাৰ পৰা এটা নিসংগ বাঁহীৰ কৰুণ সুৰ ভাঁহি অহা শুনা পালে আৰু লগতে শুনিলে কাৰোবাৰ ঘৰত লগাই থোৱা ৰেডিঅ'ৰ পৰা ভাঁহি অহা এটি গীতৰ কলি........

জীৱন ঘড়ীত প্ৰতিটো পল
যেন গলি গলি গ'ল,
নিসংগতাৰ পৰুৱা এটি
মাথো তাতে পৰি ৰ'ল
মাথো তাতে পৰি ৰ'ল।

বিতুল কলিতা
স্নাতক ৩ য় ষাণ্মাসিক

# "মৰিচিকা"

শাওণ মাহৰ ওন্দোলা আকাশ। বৰষুণ জাকৰ পিছতো আকাশৰ ক'লা ডাৱৰবোৰ আঁতৰি যোৱা নাই। পথাৰত থকা খেতিয়কবোৰ পুনৰ তিতিব। তথাপি তেওঁলোকৰ তাৰ প্ৰতি ভ্ৰূক্ষেপ নাই। তেওঁলোক ঘৰলৈও গুচি নাযায়। তিতি বুৰি হ'লেও এই কেইদিনতে হাড় ভঙা পৰিশ্ৰম কৰি খেন্তি কন কৰি ল'ব পাৰিলে বছৰটো সুখেৰে খাব পাৰিব। নম্ৰতাই শুই উঠি হাতত একাপ চাহ লৈ পিছফালৰ বাৰণ্ডাখনতে বহিছে। অসল প্ৰভাৰ কথা শুনি থাকোতেই কালি ৰাতি বহুপৰ হ'ল। আজিও দেৰিকৈ সাৰ পালে। অমল প্ৰভা এতিয়াও শুই আছে। কিমানদিন ছাগে ভালকৈ খাবলৈ শুবলৈ পোৱা নাই তেওঁ। আজিও নম্ৰতাৰ সন্মুখত অমলপ্ৰভাৰ জীৱন বৃত্তান্তৰ প্ৰতিটো দৃশ্য স্পষ্টকৈ ভাহি আছে। মনত আছে তাইৰ আমলপ্ৰভাই কোৱা প্ৰতিটো কথা।

বৈবাহিক জীৱনৰ পাতনি মেলাৰে পৰা এগৰাকী শাহু আৰু এজন দেওৰ যে ভালো থাকিব পাৰে, সেই ধাৰণাটোৱে অমলপ্ৰভাৰ মনৰ পৰা হেৰাই গ'ল। অমলপ্ৰভাৰ মতে এগৰাকী শাহুৰ স্থান পোৱাৰ লগ লগে প্ৰতিগৰাকী নাৰীকেৱল বোৱাৰীয়েকৰ ওপৰত শাৰীৰিক বা মানসিক অত্যাচাৰী হৈ পৰে। তথাপি অমলপ্ৰভাই হুতাকৈ হ'লেও এবাৰি মাত পাইছিল শাহুৱেক আৰু দেওৰ দুজনৰ পৰা কাৰণ ঘৰখনত একমাত্ৰ চাকৰিয়াল অমলপ্ৰভাৰ স্বামী অৰ্থাৎ ঘৰৰ ডাঙৰ ল'ৰা অমৃত। দেউতাক ঢুকোৱাৰ পিছত ককায়েকৰ তত্বাৱধানত পঢ়া-শুনা কৰিও কিন্তু ককায়েকৰ প্ৰতি থাকিবলগীয়া সামান্যতম মৰম আৰু সন্মানকনো নাই অমলপ্ৰভাৰ দেওৰ দুজনাৰ। কেৱল চাকৰিৰ ধনকেইটাৰ বাবেহে ককায়েকৰ প্ৰয়োজন। কিন্তু ককায়েক অমৃত সিহঁতৰ পৰা সম্পূৰ্ণ ওলোটা। অমৃত কেৱল মাক আৰু ভায়েক দুজনৰ মৰমত অন্ধ। অমল প্ৰভায়ো অমৃতক মনৰ ভাৱ প্ৰকাশ কৰিব নোৱাৰে। প্ৰতিটো মূহুৰ্তত পোৱা অপবাদ আৰু কৰ্কৰ্থনাৰ মাজতে এদিন অমৃতআৰু অমলপ্ৰভাই পৈতৃক সম্পত্তিৰ ভাগ ভায়েক দুজনৰ পৰা নোলোৱাকৈ ওলাই আহিল আৰু কাষৰ গাওঁখনতে নতুন ঘৰ সাজি সংসাৰ পাতিলে। অকণমান স্বস্তিৰ নিশ্বাস পেলাইছিল অমলপ্ৰভাই, তাৰ পিছত আহিল অমলপ্ৰভাৰ সেই অভিশপ্ত জীৱনটো। এটা দুৰ্ঘটনাত অমৃত চিৰদিনৰ বাবে আঁতৰি গ'ল আৰু অমল প্ৰভাৰ কোলাত দি গ'ল দুটি ফুল কুমলীয়া সন্তান। ভীষণ অকলশৰীয়া হ'ল তাই। কণমানি সন্তান দুটি বুকুত বান্ধি অমলপ্ৰভা জীয়াই থাকিল লাঞ্চনা আৰু কলংকেৰে লুতুৰি পুতুৰি হৈ। স্বামীহাৰা দুখে দহি থকা অন্তৰত তাইৰ শাহুৱেকে জ্বলা জুইত ঘিউ ঢালিছিল। শাহুৱেকৰ বাবে তাই কুলক্ষণী তিৰোতা। তেওঁৰ পুত্ৰৰ মৃত্যুৰ একমাত্ৰ কাৰণ হেনো তাইৰ বাহিৰে কোনো নহয়। একমাত্ৰ ল'ৰা-ছোৱালী দুটাৰ মুখলৈ চাই এই সকলোবোৰ তাই নিৰৱে সহ্য কৰি গৈছিল। অমৃতৰ

চাকৰিৰ বাবে যি কেইটা টকা পাইছিল, তাৰো সৰহভাগ স্বামীৰ বায়েকৰ ঘৰলৈ সম্পৰ্ক ৰক্ষাৰ খাতিৰত ঘুৰাই নোপোৱাৰ সত্ত্বেও ধাৰলৈ দিব লগা হ'ল।

অমলপ্ৰভাৰ অৱস্থা শাওণৰ পথাৰৰ খেতিয়কবোৰৰ দৰে হ'ল। জীৱনৰ এই ছোৱা সময়তে অশেষ কষ্ট কৰি ল'ৰা-ছোৱালী দুটা মানুহ বনাব পাৰিলে কিজানি জীৱনৰ শেষৰ কালছোৱা সুখেৰে কটাব পাৰিব। সেই আশাৰে তাই জীৱনৰ সকলো সমস্যাকে মূৰ পাতি লৈ কাম কৰি গ'ল। লাহে লাহে সন্তান দুটি ডাঙৰ হ'বলৈ ধৰিলে। পেন্সনৰ সীমিত পইচাৰে যথেষ্ট নোহোৱা হ'ল। নিজে নাখাই নিপিন্ধি, কম খৰচেৰে চলি, হাঁহ, কুকুৰা পালন কৰি মুঠতে কঠোৰ শাৰীৰিক আৰু মানসিক পৰিশ্ৰম কৰি ল'ৰা-ছোৱালী দুটাক মানুহ বনোৱাত উঠিপৰি লাগিল অমলপ্ৰভা। তাৰ মাজত জীৱনৰ তিক্ততা তথা জটিলতা অতিক্ৰম কৰি দুখতো হাঁহি থাকে। জীৱনটো বিসৰ্জন দিলে সিহঁতৰ নামত।

সময় বাগৰাৰ লগে লগে সিহঁত দুটা ডাঙৰ হ'ল। জোখতকৈ অধিক কষ্ট কৰাত তাইৰ গাত বয়সৰ চাপ পৰিবলৈ ধৰিলে। কাম-বন আগৰ দৰে কৰিব নোৱাৰা হ'ল। ইটোৰ পিছত সিটো বেমাৰে লগ নেৰা হ'ল। তথাপি তেনেকৈয়ে যিমান পাৰে ল'ৰা-ছোৱালী দুটাৰ বাবে পাৰ্যমানে ত্যাগ কৰি গ'ল। পালন কৰি গ'ল মাক-দেউতাক দুয়োৰে দায়িত্ব।

ঃ আইজনী, অলপ পানী পাম নেকি?

অমলপ্ৰভাৰ মাতত নম্ৰতাৰ তন্ময়তা ভাঙিল। তাই দেখিলে যে তাই হাতত চাহৰ কাপটো লৈয়ে ইমানপৰে অমলপ্ৰভাৰ জীৱনত ডুব গৈ আছিল। চাহ ইতিমধ্যে চেঁচা হৈ গ'ল। তাই লৰা লৰিকৈ অমলপ্ৰভাক পানীৰ কথা ক'বলৈ লওঁতে অমলপ্ৰভাই পুনৰ মাত লগালে—

ঃ কিবা ভাবি আছিলা?

ঃ নাই আইতা একো নাই। ৰাতি ভালকৈ শুলেনে?

ঃ মোৰনো শোৱা কি হিচাপ আই, কালি তোমাক তাত নোপোৱা হ'লে তাতেই ইপুৰি পালোঁগৈ হেঁতেন। তাৰ পিছত নম্ৰতাই বাথৰুমৰ ফালে অমলপ্ৰভাক দেখুৱালে। খুপি খুপি অমলপ্ৰভা সেইফালে আগবাঢ়িল.

এই গৰাকীয়েই অমলপ্ৰভা ষাঠিৰ উৰ্ধৰ এগৰাকী বৃদ্ধা। যাৰ ডাঙৰ ছোৱালীজনী বিয়া বাৰু হৈ বৰ্তমান নিজ পৰিয়ালৰ সৈতে দিল্লীত থাকে আৰু পুত্ৰ সন্তানটি এজন প্ৰতিষ্ঠিত অধিবক্তা। এই গৰাকী বৃদ্ধাকেই কালি নম্ৰতাই পথৰ দাঁতিৰ পৰাই উঠাই আনিছে পুত্ৰই এৰি যোৱা অৱস্থাৰ পৰা। এইগৰাকীয়ে অমলপ্ৰভা, যি জীৱনত সুখৰ মুখ দেখা নাপালে। যি সুখলৈ আশা কৰি নিজস্ব সকলো ত্যাগ কৰি সন্তান প্ৰতিপালিত কৰিলে, সেই সন্তানেই আজি আৱৰ্জনা ৰূপত পথৰ দাঁতিত এৰি গ'ল। অমলপ্ৰভাৰ বাবে সুখ সদায় মৰীচিকা হৈ ৰ'ল।

আজি নম্ৰতাই অমলপ্ৰভাক নগৰত থকা বৃদ্ধা আশ্ৰমত থৈ আহিবগৈ।

তন্ময় দত্ত

স্নাতক ১ ম ষান্মাসিক

□□

# ৰঙীন জীৱনৰ ছবিখন

তুলিকাৰে আশাৰ প্ৰতিচ্ছবি অঁকাত
পাকৈত মোৰ হৃদয়,
কল্পনাৰ পাখিৰে উৰি গৈ চাব বিচাৰে
ৰামধেনু সাতোটি ৰং।
আশাৰে সঁজা সপোনবোৰৰ
মাজত সোমাই পৰে,
জীৱনৰ এক মধুৰ ক্ষণ।
যেন পাৰ ভাঙি নিগৰি অহা
ফেনে ফুটুকাৰে সৈতে,
বাৰিষাৰ এজাক সপোনৰ ঢল।
আকাশৰ অসীম নীলিমাৰ
সীমাহীন বুকুৰ মাজত
আশাৰ ৰঙীন তুলিকাৰে
ইচ্ছামতে আঁকি যাওঁ
জীৱনৰ সুন্দৰ ছবিখন।

তন্ময় দত্ত
স্নাৰ্তক ১ ম ষান্মাসিক

□□

# মাৰ আশা মোৰ প্ৰেম

সাগৰৰ দৰে গভীৰ
বৰফৰ দৰে শুভ্ৰ
হয়নে নহয় নাজানো,
কিন্তু .......
অনুভৱ কৰিছো ইয়াৰ সত্যতা
হিয়াৰ নিভৃত কোণত
সযতনে সাঁচি ৰাখিছো
তোমাক দিব খোজা মৰম এধানি,
প্ৰকাশ কৰোঁ বুলি ভাবিও
প্ৰকাশব নোৱাৰোঁ মই
তোমাৰ ওচৰত মোৰ হিয়াৰ গোপন কথা।
কিন্তু .........
ভয় হয়, জানোছা
মোৰ অপ্ৰকাশ্যতে কিজানিবা
কাৰোবাৰ গোপন হিয়াত বন্দী হৈ যোৱা তুমি।
ভুল নুবুজিবা, হয়তো ময়ো
মৰম আ ক'লুৱা,
কাৰোবাৰ পৰা বিচাৰো
এমুঠি অকৃত্ৰিম মৰম, ভালপোৱা।
যিয়ে হয়তো হ'ব পাৰে,
মোৰ জীৱন পথত প্ৰেৰণা
দিঠকাব পাৰে মোৰ স্বপ্ন।
নাভাবিবা মই দুৰ্বল বুলি
বিশ্বাস আছে মোৰ,
সাজিব পাৰিম মই সপোনৰ কাৰেং,
কিন্তু ....
হ'ব লাগিব তুমি মোৰ সহযাত্ৰী
মোৰ প্ৰেৰণা
মাথোঁ,
মই এতিয়া অপেক্ষাৰত
তোমাৰ অকৃত্ৰিম সহাৰিলৈ।

ইকৰাম আলি
স্নাতক ১ ম ষান্মাসিক



□□

# Economic History of India

The known economic history of India begins With the Indus Valley Civilisation (3300-1300 Bc),whose economy appears to have depended sgnificantly on trades, which was facilitated by advances in transport Around 600 BC, the Mahajanapadas minted punch-marked silvar coins.The period was marked by intensive trade activity and urban development-by 300 BC,the Maurya Emprie united most of the India subcontinent. The political unity and military secueity allowed for a common economic system and enhanced trade and commerce, with increased agricultural productivity.

For the next 1500 years, India produced its classical civilaisations such as the rashtrakutas, Hoysalas and Western Gangs.

During this period India is estimated to have had the largest economy of the ancient medieval world between 1AB untilai medieval world.

16 century AD controlling between one third and fourth of the world's weal up to the time of maratha Emopire, from when rapidly declined during European intervention.

Thanks to its prehistory as a trading zone an later the colonial status, colonial India experienced a deep economic integration with the world. Trade, investment and migration rose to higher levels than before according to economic historian Angus maddison in his book The world Economy A Millennial perspective, India was the richest country in the world and world's largest economy until the 10 century AD.

India has followed central planning for most of its independent history , which have in cluded exensive public ownership, regulation, red tape and trade barriers.After the 1991 economic crisis, the central government launched economic liberlisation. India has turned towords a more capitalist system and has emerged as one of the faster growing large economics of the world.

Indus Valley Civilization :- Indus Valley civilization, the first known permanent and Predominantly urban settlement that flourished between 3500BC and 1800BC boasted of an advanced and thriving economic system. Its citizens practiced agriculture, domesticated animals, made sharp tools and weapons feam from copper, brounze and tin and traded with other cities.

Evidence of well laid streets, layout, drainage system and water supplyin the valley's major-cities Horropa, Lothal, Mohenjo and Rakhigarh, reveals their knowledge of urban planning.

**Republic of India:-**

Economy of India after the independence India After the India adopted a socialist- inspired economic model with elements of capitalism. India adopted a VSSR- like centralized and nationalized economic programs called five- year plans. This Nehruvian Policy suppressed economic growth for several decades.

**Coinage:-**

Punch marked silver ingots, in

circulation around the 5th century BC and the first metallic coins were minted around the 6th century BC by the Mahajanapadas of the Gangetic Plains were the earliest traces of coinage in India while India's many kingdoms and rulers issued coins, barter of their agricultural produse as revenue while its craftmen received a stipend out of the crops at harvest time for their services. Each village, as an economic unit, was mostly self–sufficient.

**GDP estimate:-**

According to economic historian Angas Maddison in his boock contours of the world economy,1-2030 AD: essays in macro –economic history, India had the world's largest economy during the years 1AD.During the Maurya Empire (c-321-185 BC),there were a number of important changes and developments to the Indian economy.

**Mughal empire:-**

during the mughal period(1526-1858)in the 16th century, the gross domestic produt of India was estimatated at about 25.1%of the world economy.

An estimatated of India's pre-colonial economy puts the annual revenne of emperor Akbor's treasury in 1600 at ...17.5 million (in contrast to the entire treasury of Great Britain two hundred years later in 1800, which totaled ..16 million)

**British rule :-**

Economy of the India under company rule and Economy of the India under the British Raj.

After gaining the right to collect revenue in the Bengal in 1765, the East India Company largely ceased importing gold and silver which it had hitherto used to pay far goods shipped back to Britain. In addition, as under Mughal rule, land revenue collected in the Bengal Presidency helped finance the company's ware in other part of India.

Consequently, in the period 1760-1800, Begal's money supply was greatly diminished, furthermore, the closing of some local mints and close superision of the rest, and the standardization of coinage, paradoxically, added to the economic downturn. During the period, 1780-1860, India changed from being an exporter of processed goods for which it received payment in bullion, to being an exporter of raw materials and a buyer of manufacture goods.

More specifically, in the 1750s, mostly fine cotton and silk was exported from India to markets in Europe, Asia, and Africa, by the second quarter of the 19th century, raw materials, which chiefly consisted of raw cotton, opium, and indigo, accounted for most of India's exports.

Starting in the 1830s, British textiles began appear in-and soon to inundate the Indian markets, with the value of the textile imports growing from ..5.2 million 1850 to..18.4 million in 1896. The abolition of slavery encouraged New World plantations to organize the import of South Asian labor.

The British colonial rule created an institutional environment that stabilized law and order to a large extent. They created a well – developed system of railways, telegraphs and a modern legal system.

**British raj:-**

The formal dissolution of the declining Mughal Dynasty heralded change

in british treatment of Indian subjects. During the british raj, massive railway projcts were begun in earnest and government jobs and guaranteed pensions attracted a large number of upper caste Hindus in to civil service for the first time. British cotton exports reach 55 percent of Indian market by 1875 Industial production as it developed in European factories was unknown in India until the 1850s when the first cotton mills were opened in Bombay. Posing a challenge to the cottage- based home production system based on family labour.

**Railways:-**

History of rail transport in India, british investstors built modern railway system in the late 19th century –it was the fourth largest in the world and was renowed for quality of construction and service. Two new railway companies, great Indian peninsular Railway (GIPR) and East Indian Railway (EIR) began in 1853 -54 to construct and ocerate lines near Bombay and Calcutta.

**Refarence :-**


1. Baten Jarg (2016) A History of the global economy form 1500 to the present. Cambridge university press. P. 250 TSBN 9781107507180.
2. The world economy (GDP) Historical statistics by professor Angus maddison. (PDF). World economy retrieved 21 may 2013.
3. Maddison, Angus (2016) The world economy volunme 1:A millennial statistics OECD pulolishing by orgonisation for economic co-operation and Revelopment. P.656.ISBN-989264022621.
4. A-b-c- economic survey of India 2007 policy brief (PDE) OECD.
5. Industry passing through phase of transition.

**Bibliography:-** Pre 1947

- Anstey, vera. The economic development of India (4th ed. 1952). 677 pp thorough. Scholarly down to 1939.
- Jawahorlal Nehru, The Discovery of India.
- Bowen, H. V. Business of Empire : The East India Company and Imperial Britain, 1756-1833 (2016) 30pp,Gezetteers and statistics.
- The Imperial Gazetter of India (26 vol. 1908-31), highly detailed descriptin of all of India in 1901.
- Statistical abstract relating to British India, from 1895-96 to1904-05 (London1906),278pp.

Since 1947:-

- 1. Bordhan, Branab, Awakening giants, Eeet of clay.assesing the economic Rish of china and India by n(Princeton university Press;2010) 172 pages.
- 2. Das, gurchanan. India Unbound: The Social and Economic revolution from Independent to the Global Information age (2002).
- 3. Frankel, Francine R. India's Political Economy, 1947-1977:The Gradual Revolution (1978).

# SWACHH BHARAT ABHIYAN

***INTRODUCTION*** :-

"Swachh Bharat Abhiyan" was launched on October 2, 2014, the birth anniversary of Mahatma Gandhi, with the object of enabling every person access to sanitation facilitities, inclucting toilets, solid and liquid waste disposal system, village cleanliness and safe and adequate drinking water supply. To focus on the sanitation and water related problems of the village, Swachh Bharat Mission (Gramin) was simultaneously lounched on 2nd October 2014 with the objective of building toilets in every rural home to prevent open free surrounding and accelerate coverage of drinking water supply in problem villages.

"A clean India would be the best tribute India could pay to Mahatma Gandhi on his 150th birth anniversary in 2019"

— Narendra Modi

***MANAGEMENT OF THE PROBLEM OF OPEN DEFECATION*** :-

The problem of open defecation has been taken up as a challenge to be met at the earliest in the prime minister's "Swachh Bharat Mission".Open defecation spreads germs in to the environment and spreads diseases, especially among the growing children. The problem of open defecation is far more pressing in India as compared to most other underdeveloped countries. According to WHO and JOINT monitoring programme, over 61 percent of rural defecate in the open as compared to only 32 percent of rural people in sub Saharan Africa. In South Asia, India has the largest rural open defecation ratio as shown in the following table-

Table :- Open defecation in India and its South Asian Neighbour.

| Country | Rural open defecation in 2015(present) | GDP per caption 2013 in US |
|---|---|---|
| India | 61.3 | 1498 |
| Nepal | 37.5 | 694 |
| Pakistan | 21.5 | 1275 |
| Afghanistan | 17.4 | 665 |
| Bhutan | 3.8 | 2363 |
| Bangladesh | 1.8 | 958 |
| Sri lanka | 0.o | 3280 |

The table shows that the rural India has defecation rate which as far ahead of most of its relatively poors neighbors.

> "An average of Rs 6500 per person was loot in India due to lack of cleanliness and hygiene. Swachh Bharat world make a significant impact on public health and in safeguarding income of the poor ultimately outributing to the national economy."
>
> — World Health organissation(WHO)

***ACTION PLAN***:-

The ministry of drinking water and sanitation which in implementing this programme has drown up an action plan for a Swacch Bharat to become a reality by 2019, the 150th anniversary of Mohatma Gandhi. The action plan proposes to increase the construction of toilets from 14000 toilets per day at present to 48000 toilets per day in 2019. The action plan calls for an open defecation free(ODF) India in five years. This will be done through construction of individual, cluster and community toilets, cleanness through solid and liquid waste management and laying of water pipelines in all villages to enable tap connection in household on demand by 2019.

***PROGRESSING OF SWACHH BHARATE ABHIYAN***:-

The government wants to make Swachh bharat Abhyan a "people's movement". Efforts are being made to find low cost technology solutions to the problem of open defecation educational material, awareness campaign, litertures and stories are being used to motivate rural households to accept cleanliness and sanitation meauures. As a result, the coverage of households with toilets has increased from 38 percent in December 2013 to 51.8 percent in march 2016. The five states- sikkim, rajasthan, Goa, Meghaloya and Gujrat were the fastest –moving states in this direction of building toilets and making offorts at achieving an open defection free rural India.

In the urban area, 33 lakh individual toilets have been completed. The five top performing states in urban sanitation are Maharashtra, Gujrat, Chhattisgarh, Modhya Pradesh and Andhra Prodesh.

"If people of India can reach mars with minimal exoenditure why can they not keep their streets and colonies clean."

——Norendra Modi

Debobrat saikia
B.A. 1st Semester

# IMPACT OF GLOBALIZATION 0N INDIA

Written by: Tanveer malik

Indian economy had experienced major policy changes in early 1990. The new economic reforms, popularly know as, "liberalization, Privatization and Globalization" (LPG model) aimed at making the Indian economy as fastest growing economy and globally competitive. The series of reforms undertaken with respect to industrial sector, trade as well as financial sector aimed at making the economy more efficient.

With the onest of reforms to liberalize the Indian economy in July of 1991, a new chapter has downed for India and her billon plus population. This period of economic transition has had a tremendous impact on the overall economic development of almost all major sectors of the economy, and its effects over the last decade can hardly be overlooked. Beside, it also marks the advent of the real integration of the Indian economy into the global economy.

This era of reforms has also ushered in a remarkable change in the Indian mindset, as deviates from the traditional values held since Independence in 1947.such as self reliance and socialistic policies of economic development, which mainly due to the inward, overall backwardness and inefficiency of the economy, amongst a host of other problem. This despite the fact that India has always had the potential to be on the fast track to prosperity.

Now that India is in the process of restructuring her economy with aspirations of elevating herself from her present desolate position in the world, the need to speed up here conomic development is even more imperation and having witnessed the position role that Foreign direct Investment (FDI) has played in the rapid economic growth of most of the southeast Asian countious and most notably China, India has embarked on as ambitious plan to emulate the successes of her nighboure to east and trying to sell herself as safe and profitable destination for FDI.

Globalization has many meanings dependidg on the context and on the person who context and on the person who is taking about. Though the pricess defenation of Globalization is still un available a few defanations are worth viewing, guy brainbanl says that the process of globalization not only includes apening up of world trade, development of advance means of communication, internationalization of financial markets

growing importans of MNC population migrations and more generally increased mobility of persons,goods capital data and ideas but also infections, diseases and population. The term globalization refer to the integration of economics of the world through uninhibited trade and financial flows, as also through mutual exchange of technology and knowledge Ideally, it also contains inter country movement of labour. In context to India, this implies opening up the economy to foreign direcl investment by providing facilities to foreign companies to invest in different fields of economic activity in India, removing, costraints and obstacles to the entry of MNC's is in India, allowing Indian companies to enter into foreign collaborations and also encouraging them to setup joint ventures abroad; carrying out massive import liberalization programs by switching over from quantitative restrictions to tariffs and import duties, therefore globalization has been identified with the policy reforms of 1991 in India.

The important reforms Measures. (step towards liberalization privatization and globalization ).

The economy was in deep crisis in july 1991, when foreign currency reserves had plummeted to almost 1 billions; Inflation had roared to an annual rate of 17 percent; fiscal dificit was very high and had become unsustainable; foreign investore and NRT, had lost confidence in Indian economy. Capital was flying out of the country and we were close to defaulting on loans. Along with these bolltenecks at home, many unforeseeable change swept the economics of nations in western and eastern Europe, south east Asia, Latin America and else where, around the same time. These were the economic compulsions at home and abrode that called for a complete overhauling of our economic policies and programes. Major measures initiated as a part of the liberalization and globalization strategy in the early nineties included the following.

DEVALUATION: The first step towards globalization was taken with the devaluation of Indian currency by 18-19 present against major currencies in the international foreign exchange market. In fact, this measure was taken in order to resolve the BOP crisis.


DISINVESTMENT: In order to make the process of globalization smooth, privatization and liberalization policies are moving along as well. "Under the privatization scheme, most of the public sector undertakings have been /are being sold to private sector."

-souces - Internet

Sammujal Das
B. A. 1st Semester

# Science in Everyday life

Science has developed rapidly, it is called the age of science. It has performed by so many wonders. No any realm of nature is life unknonwn to us. Science with its various inventions makes our lives easier and comfortable. Science brings the forces of nature under man's control. It has added new pleasure, new comfort to human life. In every walk of life we are to depended on any of the gift of science.




Now, Science is a blessing to mankind. We ues the latest inventions of science in our daily life. Right from morning till night science has rendered valuable service for our ease and comfort. For example man gets up early inthe morning and uses brush and tooth paste. He prepares tea and breakfast with the help of electric oven or gas stove. He shaves his beard with an electric razor. He presses his cloth with an electrical iron. He goes to school of office by use, taxi or railway train. In the office the electrical fan cools his body. He talks to his friends and relative over the telephone. For offical work he uses typewriter, duplicating machine or calculator. He listens to the news and events of the world in his radio. He enjoys important meetings, games and sport or any important happenings in his television. Electric bulb lights his house. On holidays he enjoys cinema. All these are blessing of science.

Science has done tremendous progress. The inventions of science are indispensable today for man's daily life. Our clothes are made by Spinning and weaving machine. We may use improved machineries of agriculture to yield more food. We may kill germs by spraying insecticide. We may use different manures for luxuriant growth of our crops. In this way science has done so many wonders for us.

There is no field in human life which are not touched by science. Science is & typing its utmost to contribution to the happiness of man. It adds immensely to man's capacity to work. It brings man the field of communication. Science has done wonders. It gives us many labour saving devices. It gives us knowledge to fight against disease.

□□

Juganta Chetia
B.A. 1st Semester

ধন্যবাদ জ্ঞাপন,
- মেট্ৰিক্স প্ৰেছ,কে. বি. ৰোড
- মৃদুল ডি. টি. পি. চেণ্টাৰ, বাঁহপাতি তিনিআলি, আজাদ
- দেৱানজি ষ্টুডিঅ' এন. টি. ৰোড




নৱাগত আদৰণি সভাৰ সমৱেত সঙ্গীত....



পাৱাৰ পইন্ট পাঠদান....



বালিকা মহাবিদ্যালয়ৰ প্ৰাঃ অধ্যাপিকা ড° বন্তি গগৈ হাঁওৰা
ৰ সৈতে বিভাগৰ ছাত্ৰ-ছাত্ৰী...



অভিভাৱক সন্মিলন....

## আমাৰ গৌৰৱ



সৰিতা বৰা
প্ৰথম স্থান (১৯৯৫)



দেৱযানী বৰা
প্ৰথম স্থান (২০১২)



পাৰুল চেতীয়া
প্ৰথম স্থান (২০১২)



উষা শইকীয়া
প্ৰথম স্থান (২০১৪)



গিতুমনি বৰা
প্ৰথম স্থান (২০১৫)


N
W
E
S
LEGEND
ROAD
BOUNDARY WALL
BOUNDARY LINE
TREE


লক্ষীমপুৰ তেলাহী কমলাবাৰীয়া মহাবিদ্যালয়